# প্ৰতিবিম্বন

২০১২-১৩ বৰ্ষ



সম্পাদক ঃ নাছিৰ উদ্দিন আহমেদ

## গোৱালপাৰা মহাবিদ্যালয় আলোচনী

# প্ৰতিবিম্বন

২০১২-১৩ বৰ্ষ

## বাৰ্ষিক মুখপত্ৰ
## গোৱালপাৰা মহাবিদ্যালয়

প্ৰতি,

মাননীয়/মাননীয়া ..........................................................

..........................................................................ৰ হাতত

শ্ৰদ্ধা আৰু আন্তৰিকতাৰে।

সম্পাদক

**Pratibimban:** The Goalpara College Magazine, published by Goalpara College student union, Goalpara College

**প্ৰতিবিম্বনঃ গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা**

**সম্পাদনা সমিতি ঃ**

সভাপতি ঃ ড° কাছিম্ আলি আহমেদ (অধ্যক্ষ)

তত্বাবধায়ক ঃ ড° হেমন্ত কুমাৰ কলিতা

সদস্যঃ শ্ৰী অমূল্য শৰ্মা (উপাধ্যক্ষ)
ঃ ড° আব্দুল আহমেদ
ঃ ড° সুভাস বৰ্মন
ঃ শ্ৰীলনী বৰুৱা
ঃ শ্ৰী জহিৰুল হক

সম্পাদক ঃ শ্ৰী নাছিৰ উদ্দিন আহমেদ

অলংকৰণঃ ড° হেমন্ত কুমাৰ কলিতা

প্ৰচ্ছদ ঃ ত্ৰিদ্বীপ মেধী

আৰ্হিপাঠ ঃ সম্পাদনা সমিতি

মুদ্ৰণঃ- কস্তুৰী প্ৰেছ, লাচিত নগৰ ৰোড, ৰাজগড়, গুৱাহাটী - ৭
ফোন ঃ ৯৮৬৪০-৩৩০০২

# শ্ৰদ্ধাঞ্জলি

যিসকল লোকৰ মহান প্ৰচেষ্টাত

গোৱালপাৰা মহাবিদ্যালয়ে প্ৰাণ পালে,

যিসকল এতিয়া আমাৰ মাজত নাই,

সেইসকললৈ

সেৱা আৰু সশ্ৰদ্ধ প্ৰণামেৰে........ ।

# উছৰ্গা



* বিজ্ঞান চৰ্চাৰে যিসকলে সমাজলৈ আগবঢ়াইছে অমূল্য উপহাৰ।
* সমাজৰ পৰা অন্ধসংস্কাৰ দূৰ কৰাৰ ব্ৰতত যিসকলে জীৱন পাত কৰিছে।
* বৈজ্ঞানিক মানসিকতা গঢ় দিয়াত ব্ৰতী নিৰৱ লোকসকল।
* অজ্ঞানীক জ্ঞান দিয়াৰ কচৰৎ কৰি কৰি যিসকলে সময়ৰ বালিত খোজ ৰাখি গৈছে।
* অসমৰ সাহিত্য-সংস্কৃতিৰ জগতলৈ যিসকলে মনিষীয়ে আগবঢ়াই গৈছে অমূল্য উপহাৰ।

সেইসকলৰ উদেশ্যে চিএনবিয়ানৰ এই সংখ্যা উছৰ্গা কৰা হ'ল।

— সম্পাদনা সমিতি

# কৃতজ্ঞতা স্বীকাৰ

যিসকলৰ শ্ৰম, লিখনি, পৰামৰ্শ আৰু
সহায়-সহযোগিতা তথা অনুপ্ৰেৰণাত
প্ৰতিবিম্বনে প্ৰকাশৰ সুবিধা পালে
সেই সকলোলৈকে
সম্পাদনা সমিতিৰ
তৰফৰ পৰা
কৃতজ্ঞতা জ্ঞাপন
কৰিলোঁ।



# সুচীপত্ৰ


অধ্যক্ষৰ মেজৰ পৰা ৯
উপাধ্যক্ষৰ দুআষাৰ....... ১১
তত্ত্বাবধায়কৰ কাপোৰ ১২

**অসমীয়া বিভাগ**

**প্ৰবন্ধমালা (চিন্তা প্ৰবাহ)**

ইশ্বৰ কণা আৰু ইশ্বৰ- ড° হেমন্ত কুমাৰ কলিতা ১৩
পৰিৱৰ্তনশীল সময়ৰ যুৱ প্ৰজন্ম- গোবিন্দ চন্দ্ৰ দাস ১৬
আত্ম হত্যা এক চৰম উপহাস - নাজনীন আহমেদ ১৮
অন্ধবিশ্বাস আৰু আধুনিক সমাজ - ৰাহুল শৰ্মা ১৯
নাৰী দিৱস আৰু নাৰী অধিকাৰৰ প্ৰাসংগিকতা- আমিনুৰ হক ২২
অসমীয়া ভাষা সংস্কৃতি বনাম যুৱ প্ৰজন্ম- হাবিবুৰ ৰহমান ২৪
নাৰী সৱলীকৰণ এক আলোকপাত- নিৰ্মিতা নাথ ২৬
নাৰী হোৱাটো কি অপৰাধ- পল্লৱী দাস ২৮
মহিলাৰ সৱলীকৰণ- মুনমী নাথ ২৯
**সমৰকলা ঃ** মহিলাৰ আত্মৰক্ষাৰ প্ৰধান অস্ত্ৰ ঃ বিকাশ ডেকা ৩২

**ইংৰাজী বিভাগ** (English Section)

Mordern Indian Society and Culture - Dr. K. A. Ahmed ৩৩
Essay on Woman's life- Robiul Islam ৪০
Women Empowerment -Sanowar Hussain ৪১
Take Care of my eyes-Selima Sheikh ৪৩
Amazing Science-Wasir Uddin Ahmed ৪৪

**কাব্য বীথিকা**

মিথ্যা প্ৰতিশ্ৰুতি- বিশ্বজিৎ দাস ৪৫
হাছ্ং- জছেফ ৰাভা ৪৫
অধ্যয়নে কি আনে- নয়নজ্যোতি নাথ ৪৬
পূৰ্ণিমাৰ সম্পূৰ্ণ জোনটি- নাতাস্বা বেগম ৪৬
বৰ্ষা- মুৰটাটিনা আহমেদ ৪৭
কোনোবা আহিব জানো- স্বগত চেটাৰ্জী ৪৭
বসন্তৰ পদাৰ্পণ- মেৰিণা আহমেদ ৪৮
দুখ- শ্বাহনাজ আহমেদ ৪৮
আঁৰত- ফিৰোজ পাৰবীন ৪৯
এজাক বৰষুণ হৈ আহিছিল তুমি- মিতুৰাণী মেধি ৪৯

বসন্ত পুনৰাই নাহে- অৰ্পনা দাস ৫০
কৃতকাৰ্যতা- ধৃতিৰানী নাথ ৫০
তোমাৰ স্মৃতিয়ে সজোৱা অনুভৱ- শাশ্বতী ৰাভা ৫১
যুগ ধৰ্ম- আশ্ৰাফুল ইছলাম ৫১
ৰাতি বাঁহী নবজাবি সপোন কোঁৱৰ- নিমিতা দেৱী ৫২
বগুৱান ছোৱালী হাইস্কুল (বিদায়ৰ মহুৰ্তত এষাৰ) ধৰিত্ৰী নাথ ৫২
Remembering Grandpa-Papu Das ৫৩
TEACHER- Abdul Mannan Sk. ৫৩
Nature's Beauty- Jupitara Nath ৫৪
**অসমীয়া গল্পৰ মজলিছ**
সুবাসিত জীৱন- মুন্টাজিমা আহমেদ ৫৫
জয়ৰ মাত্ৰা- মুনমী নাথ ৫৮
আমি মানুহ নহয়নে ঃ ফিৰোজ চামিম আহমেদ ৫৯
আলোচনীৰ লিখন- ছাবনা আজমী ৬১
ৰহস্যৰ গৰ্ভত এটা কাহিনী ১৫ চেপ্তেম্বৰ- ৰাহুল মোল্লা ৬৩
জীৱনৰ লগৰী- প্ৰণয় দাস ৬৬
অনুতাপ- মৃদুস্মিতা চৌধুৰী ৬৮
প্ৰতিবেদন ঃ সাধাৰণ সম্পাদক ৬৯
প্ৰতিবেদন আলোচনী সম্পাদক ৭০

# From the Principal's Desk

Dr. K.A. Ahmed.
Principal
Goalpara College, Goalpara

It gives me immense pleasure to write a few lines in the College Magazine 2012-13, Goalpara College, Goalpara. The College Magazine "Pratibimban" is considered as a mouth piece of the College fraternity and the society at large. It reflects the performances of the college, its successes and failures, and also focuses on the academic and other activities throughout the year. Through this Magazine students get the opportunity to express their thoughts and feelings through their writings, which will encourage them and enhance their creative talents.

Goalpara College is one of the largest and glorious co-educational institutions in Lower Assam Accredited at the B level by the NAAC (National Assessment and Accreditation Council) in 2010. The college has been completed 59 years of its existence right from the date of its establishment in 8th August, 1955. Although the results of the college in both H.S. and University Examination including Science and Arts stream is satisfactory, and some of our students obtained remarkable achievements, but perfection yet to be achieved as a whole. The college has Boys' and Girls' Hostels separately. There is a magnificent library in the college where more than thirty two thousand volumes of books of various subjects are available with Internet facility.

The college has a study centre of KKHSOU (Krishna Kanta Handique State Open University). The main purpose of the University (KKHSOU, Guwahati) is to promote education among the downtrodden and backward sections of the society through Open and Distance Learning (ODL) at minimum and affordable fees up to master degree level.

On the other hand, the IDOL (Institution of Distance and Open Learning) affiliated to Gauhati University is a very important study centre of the college, where a substantial number of students of the Goalpara and its surroundings are studying up to the Master Degree level.

Apart from various Minor Research Project (MRP) conducted by our faculty members, some of our teachers are doing the Major Research Project (MRP) under the DST, DBT and UGC schemes, which is obviously the matter of proud for the college.

Besides the academic pursuit, the College encourages and promotes sports activities, seminars, workshops, study tours and other co-curricular activities. The College

provides opportunities to participate NCC, NSS and Scouts & Guides Programmes. The students have participated in many competitive activities and programmes, and have brought laurels to this glorious institution.

In regards of infrastructural development, the construction of a Women Hostel under UGC during XI plan period is already completed where more than 50 girls students are staying as boarders, while the construction of a new Girls' Common Room is also completed a few years back. The construction of Outdoor Stadium under Sports Infrastructure of UGC scheme is also almost completed. On the other hand, the construction of one more 100 seated Girls' Hostel from the MSDP scheme is also started and the work is going on, while the construction of Examination Hall above the ground floor building is started which will be completed within a few months. Further, the construction work of Open Stage for the Cultural Programmes of the students in the college is also going to be completed soon. The Play ground of the college is improved and it becomes suitable for different types of games and sports. However, the college library is going be converted soon into a Digital Library with a new infrastructure with modern facility. We are trying our best to complete the half done college auditorium also.

This is absolutely true that without co-operation of Governing Body, Teaching and non-Teaching staff, the students as well as the benevolent public, it is not possible for a Principal to do the best for the overall development of the college. I hope, time has come to take a bold step for the speedy development of this college in all sides including its infrastructure inculcating the innovation for its teaching and learning process. Those who love this college from the core of their heart and soul can never be far behind for its infrastructural development including its healthy academic atmosphere. Surely Goalpara College will proceed towards a new horizon of its prosperity.

It is worth-mentioning that we have already been opened Website of Goalpara College i.e. 'www.goalparacollege.org' and the process of computerization in the Office and Library on line and connection of Internet in each department is almost completed. However, adequate steps have been taken for the over all development of the college. But, time will prove the success or failure, the victory or defeat as well as the perfection or excellence.

At last not the least, I would like to express my sincere thanks to all the members of the Editorial Board, teaching and non-teaching staff, as well as the students of this college for its publication.

Long Live Goalpara College with Glory and Prosperity.

# Welcome speech from Vice-Principal

I am glad to learn that 2012-13 issue of Pratibimban is ready for publication. It is a reflection of the achievements of the students and overall physical state of the college. A vibrant literary activity is an index of healthy academic atmosphere of the college and this issue of Pratibimban will be a part of it.. I hope that readers will find the contents magazine attractive. I appreciate the students and teachers for their contribution in it and congratulate the editorial board for their successful endeavour in bringing out the issue.

With regards
Amulya Sarma

# তত্ত্বাবধায়কৰ কাপোৰ

সুদীৰ্ঘ উনাষাষ্ঠি বছৰ ধৰি নামনি অসমৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত সগৌৰৱে প্ৰতিষ্ঠিত গোৱালপাৰা মহাবিদ্যালয়ে সমগ্ৰ নামনি অসমৰ দক্ষিণপাৰৰ ছাত্ৰ ছাত্ৰীসকলৰ উচ্চ শিক্ষাৰ প্ৰতি থকা আশা আকাঙ্খাক যথাসাধ্য পূৰণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। অসমৰ বহুকেইজন পণ্ডিত প্ৰবৰ ব্যক্তি এইখন মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসন অলংকৃত কৰি আহিছে আৰু তাৰ সুবাষে এতিয়াও সমস্ত গোৱালপৰীয়া ৰাইজক সুবাষিত কৰি ৰাখিছে। নানা ঘাট প্ৰতিঘাট পৰিহাৰ কৰি বৌদ্ধিকভাৱে ছাত্ৰ সমাজক আলোড়ন কৰাৰ প্ৰচেষ্টা আজিও বিদ্যমান। বৰ্তমান উচ্চ শিক্ষাৰ ক্ষেত্ৰ খনৰ শিক্ষাৰ বাণিজ্যিকৰণ, উদাৰিকৰণ গোলোকীকৰণ নীতিৰ ধামযুমীয়াত উচ্চ শিক্ষাত নিশ্চিত ভাৱে এক আলোড়ণৰ সৃষ্টি হৈছে। প্ৰতিযোগিতাত নিজৰ অতীত গৌৰৱ অক্ষুন্ন ৰাখিবলৈ আৰু অধিক জাকত জিলিকা (শৈক্ষিক তথা আন্তগাঠনি) কৰি তুলিবলৈ চেষ্টাৰ কোনো ত্ৰুটি আমাৰ নয়নত ধৰা দিয়া নাই।

'প্ৰতিবিম্বন' গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ/ ছাত্ৰীসকলৰ বৌদ্ধিক প্ৰতিফলনৰ নিদৰ্শন। ছাত্ৰ/ ছাত্ৰীসকলৰ কিছু পৰিমাণে লিখা মিলা কৰা বা সাহিত্যৰ ক্ষেত্ৰ খনত অনীহা অহাতো আমাৰ পৰিলক্ষিত হৈছে। অৱশ্যে ইয়াৰ মাজতো এটা মুষ্টিমেয় চামে সাহিত্যৰ চৰ্চা অব্যাহত ৰখাটোৰ এক সদৰ্থক দিশ। Mobile technology, internet, facebook, whatsup আদিয়ে ছাত্ৰ/ ছাত্ৰীৰ হাতৰ কাপ কাঢ়ি লৈ গৈছে। উপন্যাস, কবিতা, আলোচনী, গল্প পঢ়াৰ অবকাশ নাই। সেয়েহে আমি আহ্বান জনাব বিছাৰিছো যে Technology ৰ সদ্ ব্যৱহাৰ কৰি জীৱনৰ মূল্যবান সময়খিনিক উপযুক্ত ভাৱে ব্যৱহাৰ কৰি সুনাগৰিক হোবাৰ।

বিশেষ কাৰণত পত্ৰিকা সম্পাদক মহাবিদ্যালয়ত অনুপস্থিত থকা হেতু যথাযথভাবে আৰু মানদণ্ডপূৰ্ণ লিখনি সংগ্ৰহ কৰিব নোৱাৰাটো আমাৰেই অপৰাধ। আমাৰ নিজৰ মহাবিদ্যালয়ৰ দৈনন্দিন কৰ্ম প্ৰণালীৰ মাজতো যিকণ সময় উপলব্ধ কৰিব পাৰিছো তাৰ পৰাই ছাত্ৰ/ ছাত্ৰীসকলৰ বহু প্ৰতীক্ষাৰ প্ৰতিবিম্বন হাতত তুলি দিবলৈ চেষ্টা কৰিছো অনিস্বাকৃত দোষ ত্ৰুটিৰ বাবে ক্ষমা মাৰ্জনীয়। শেষত আমি সেইসকল ব্যক্তি, যিসকল আমাৰ মহাবিদ্যালয়খনৰ লগত ওতঃপ্ৰত ভাৱে জড়িত হৈ আছিল কিন্তু নিয়তিৰ নিষ্ঠুৰ আহ্বানত আমাৰ মাজৰ পৰা আতৰি গৈছিল সেই সকলৰ অদেহী আত্মাৰ সদগতি কামনা কৰিলো।

শেষত আমি .........

জয়তু গোৱালপাৰা মহাবিদ্যালয়

তত্ত্বাবধায়ক
ড° হেমন্ত কুমাৰ কলিতা

# ঈশ্বৰ কণা আৰু ঈশ্বৰ

**ড° হেমন্ত কুমাৰ কলিতা**
*মুৰব্বী অধ্যাপক, দৰ্শন বিভাগ*

আপাত দৃষ্টিত দুয়োটা বিষয়ৰ এক সুকীয়া বিশ্লেষণ আৰু স্থান আছে। ঈশ্বৰ কণাৰ (God Particle) অধ্যয়ন ভৌতিক আৰু ঈশ্বৰ বিষয়ক অধ্যয়ন সম্পূৰ্ণভাৱে আধ্যাত্মিক আৰু ধৰ্মীয় দিশৰ দ্বাৰা প্ৰভাৱান্বিত। ঈশ্বৰৰ ধাৰণা যদিও তাত্ত্বিক তথাপিও এই ধাৰণাৰ মাজত এক বৌদ্ধিক মননশীলতা নিহিত হৈ আছে। সকলো ধৰণৰ বৌদ্ধিক অধ্যয়নৰ উদ্দেশ্য এক তাত্ত্বিক পৰিতৃপ্তি, বৈজ্ঞানিক সত্যতা। এই উদ্দেশ্য সাৰোগত কৰিয়েই পদাৰ্থ বিজ্ঞানীয়ে হওঁক অথবা তাত্ত্বিক দাৰ্শনিকে হওঁক এক সাৰ্বজনীন সত্য উদ্ঘাটন তথা উপলব্ধি কৰিব বিচাৰে। ঈশ্বৰ কণাৰ অধ্যয়ন পদাৰ্থ বিজ্ঞানৰ বিষয়বস্তু আৰু ঈশ্বৰ ধাৰণাৰ অধ্যয়ন অধিবিদ্যা বা তত্ত্ববিদ্যাৰ (Metaphysics) বিষয়বস্তু।

দৰ্শণৰ এটা বিভাগ যাক অসমীয়াত অধিবিদ্যা আৰু ইংৰাজীত Metaphysics বুলি কোৱা হয়। Metaphysics শব্দটোৰ ব্যুৎপত্তিগত বিশ্লেষণ হ'ল 'Meta' মানে পিছত আৰু Physics মানে পদাৰ্থবিদ্যা। অৰ্থাৎ পদাৰ্থবিদ্যাৰ অধ্যয়নৰ শেষ স্থিতিত যি অধ্যয়ন আৰম্ভ হয় তাকে অধিবিদ্যা বা তত্ত্ববিদ্যা (Metaphysics) বুলি কোৱা হয়। পদাৰ্থবিজ্ঞানৰ সত্যতা নিশ্চয়ভাৱে এক বাস্তৱিক বিষয় কিন্তু অধিবিদ্যাৰ জ্ঞান নিশ্চয়ভাৱে বাস্তৱিক বুলি ক'লে এক বিতৰ্কৰ সূচনাৰহে সৃষ্টি হ'ব। তথাপিতো ঈশ্বৰ কণা আৰু ঈশ্বৰ বিষয়টোৰ ওপৰত এটি সম্যক ধাৰণা দিবলৈ গৈহে ওপৰোক্ত কথাখিনি আগবঢ়াব লগা হ'ল। বস্তুগত সত্যৰ অধ্যয়নৰ পৰিধি ভেদ কৰি এক পাৰমাৰ্থিক সত্ত্বাৰ অন্বেষণ আৰু উপলব্ধি কৰাই হ'ল অধিবিদ্যা (Metaphysics)। তত্ত্বগত ভাৱে সকলোবোৰ অধ্যয়নৰে এটা নিদৃষ্ট সত্য প্ৰতিষ্ঠাৰ স্পৃহা নিহিত হৈ থাকে। কিন্তু বাস্তৱক্ষেত্ৰত উপলব্ধ হোৱা সকলোবোৰ জ্ঞান বা ধাৰণা পৰমভাৱে (Absolutely) সত্য বুলি স্বীকাৰ কৰিব পৰা নাযায়।

পদাৰ্থবিজ্ঞানীৰ নৱতম অন্বেষণীয় বিষয়সমূহৰ ভিতৰত নেইলচ্ ব'ৰ আৱিষ্কৃত ঈশ্বৰ কণা (God Particle) অন্যতম। ইয়াক কেতিয়াবা হয়তো আধাৰ কণা (Foundational Atom) বুলিও অভিহিত কৰা দেখা যায়। বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিতত্বত পৰমাণুবাদৰ প্ৰভাব এক অনস্বীকাৰ্য বিষয়। পৰমাণুবাদৰ অধ্যয়ন ঐতিহাসিক গ্ৰীক দৰ্শনৰ পাতটো সন্নিবিষ্ট হৈ আছে। ঐতিহাসিক গ্ৰীক দাৰ্শনিক হিৰাক্লিটাছ ইপিকিউৰাছ এম্পিড'কলচ্ আদিয়ে পৰমাণুকেই বিশ্ব সৃষ্টিৰ মূল উপাদান (Primary element) বুলি স্বীকাৰ কৰিছিল। তেওঁলোকে পৰমাণুবোৰক বিশেষ বিশেষ ভাগত ভাগ কৰিছিল ঃ যেনে আত্মা পৰমাণু, অগ্নি পৰমাণু (Soul Particle, Fire Particle) ইত্যাদি। বৰ্তমান পৰমাণু তত্ত্বৰ যি বিশাল স্থিতি, তাৰ পূৰ্ব্বাভাষ হয়তো সেইসকল মহান মনীষীৰ সুপ্ত চিন্তাত লিপিট খাই আছিল। সেয়েহে আমি এইটো ধাৰণা কৰিলে ভুল নহ'ব যে আজিৰ যি ঈশ্বৰ কণাৰ ধাৰণা সেয়া সম্ভৱত আত্মাপৰমাণু অথবা অগ্নি পৰমাণুৰেই বৈজ্ঞানিক অনুসন্ধানৰ ফল।

পৰমাণুবোৰ হৈছে শক্তিৰ এটা আটাইতকৈ ক্ষুদ্ৰতম কণা। কিন্তু পৰমাণুত নিহিত অক্ষয় শক্তিৰ প্ৰাথমিক উৎস ক'ত? পদাৰ্থ বিজ্ঞানৰ বিভিন্ন চমৎকাৰিত্ব আৱিষ্কাৰৰ মূল শক্তিৰ উৎসবোৰ পৰমাণু বুলি ধৰি লোৱা হয় তেতিয়াহ'লে 'শক্তি' পৰমাণুবোৰত পূৰ্ব্ব প্ৰতিষ্ঠিতভাৱে (Pre-established) স্বীকৃত

হ'ব। Proton, Neutron আৰু Energy element) বিভিন্ন ধৰণৰ সংযোজন আৰু বিযোজনৰ দ্বাৰা বৰ্তমান বিশ্বত ন ন বিষয়ৰ প্ৰদৰ্শন হৈ আহিছে। কিন্তু এই তিনি শক্তিৰ প্ৰাৰম্ভিক স্থিতি কি? ইয়াৰ অস্তিত্ব স্বাভাৱিক নে অস্বাভাৱিক? শক্তি ক্ৰমবিৱৰ্তনৰ ফল হ'ব নোৱাৰে, কাৰণ ক্ৰম বিৱৰ্তনৰ ধাৰক হৈছে পৰমাণু। নে কোনোবাই ইয়াক ধাৰণ কৰি আছে? নে এই ধাৰণ কৰা শক্তিটোকেই আমি পদাৰ্থবিজ্ঞানৰ ঈশ্বৰ কণা আৰু তত্ববাদীৰ ঈশ্বৰ বুলি ক'ব বিচাৰিম নেকি? এই ধৰণৰ সমস্যাই বা প্ৰশ্নই আমাৰ মনত বা বুদ্ধিত বা জ্ঞানত উকমুকনিৰ সৃষ্টি কৰাটো তেনেই স্বাভাৱিক।

এইটো ঠিক যে বিশ্বাস অবিহনে জ্ঞান সম্ভৱ হ'ব নোৱাৰে। কিন্তু বিশ্বাস যদি জ্ঞানৰ উৰ্দ্ধত স্থিতি গ্ৰহণ কৰে সেয়া বিশ্বাস এক অন্যান্য (Extra ordinary) বিশ্বাস হিচাপে গ্ৰহণ কৰা যায়। এই অন্যান্য বিশ্বাসক আমি আত্মজ্ঞান বা প্ৰজ্ঞা বুলি অভিহিত কৰিব পাৰো। কণাত নিহিত শক্তি যেতিয়া পূৰ্ব্ব প্ৰতিস্থিত বুলি গ্ৰহণ কৰা হয় তেতিয়া ইয়াক অতিবৌদ্ধিক বিশ্বাস বুলিয়ে আমাৰ বোধ হয়। দাৰ্শনিক লিবনিজে (Leibniz) কোৱাৰ দৰে 'God' ঈশ্বৰ হৈছে পৰম চিদ্‌কণা বা চিদ্‌শক্তি (Supreme monad)। এই পৰম চিদ্‌কণা বা চিদ্‌শক্তিত বিশ্বব্ৰহ্মাণ্ডৰ অফুৰন্ত শক্তি পুঞ্জিভূত হৈ আছে আৰু সিয়ে বিশ্বব্ৰহ্মাণ্ডৰ আধাৰ শক্তি (Ground Force) হিচাপে পৰিগণিত হৈছে। দাৰ্শনিক দৃষ্টিত ঈশ্বৰৰ অস্তিত্ব সদায় বৌদ্ধিক দিশেৰেহে আলোচনা হৈছে। দাৰ্শনিকৰ ঈশ্বৰ আৰু ধৰ্মীয় ধাৰণাৰ ঈশ্বৰৰ মাজত এক পদ্ধতিগত আৰু জ্ঞানগত ব্যৱধান পৰিলক্ষিত হোৱা দেখা যায়। সেয়েহে দাৰ্শনিক এৰিষ্ট'টলে কৈছিল যে ঈশ্বৰ হৈছে পৰম বৌদ্ধিক সত্বা আৰু সেই পৰম বৌদ্ধিক সত্বাকেই লিবনিজে পূৰ্ণ আধ্যাত্মিক সত্বা (Perfect Spiritual Being) বুলি কৈছে।

কিন্তু প্ৰশ্ন হয় যে ঈশ্বৰ কণাকেই আমি ঈশ্বৰ বুলি ক'ব পাৰিম নেকি? ঈশ্বৰ কণা যদি এককভাবে চিহ্নিত হয় আৰু সকলো শক্তিৰ আধাৰ বুলি পৰিগণিত হয় তেতিয়াহ'লে ঈশ্বৰ কণাক (God Particle) বিশ্বব্ৰহ্মাণ্ডৰ সৰ্বময়ী কৰ্তা হিচাপে আখ্যা দিব পাৰি। পৰমাণুত শক্তিৰ স্থিতি অভিজ্ঞতাপূৰ্ব্ব (A priori) আৰু সেয়েহে পৰমাণুত থকা তিনিটা শক্তিৰ আধাৰক আমি মানি নোলোৱাকৈ থাকিব নোৱাৰো। গতিকে এইটো ক'ব পাৰি যে ঈশ্বৰৰ অস্তিত্ব যেনেকৈ বৌদ্ধিক প্ৰতিফলন মাত্ৰ। ঠিক তেনেকৈ ঈশ্বৰ কণাৰ অস্তিত্বও বৌদ্ধিক প্ৰতিফলন মাত্ৰ। শুন্যৰ পৰা যেনেকৈ শুন্য হয় অথবা একো নোহোৱাৰ পৰা কিবা পাব নোৱাৰি তেনেকৈ পৰমাণু কেৱল সাৰহীন বা শক্তিহীন সত্বা নহয়; এটা অস্তিত্বপূৰ্ণ সৃষ্টি শক্তি (creative force)। এই যুক্তিৰ আধাৰতে ঈশ্বৰক অস্তিত্ববিহীন সত্বা বুলি ক'ব নোৱাৰি। ষ্টিফেন হকিন্সৰ গৱেষণাত প্ৰকাশ যে কোনো অস্তিত্ববিহীন সত্বাৰ পৰা মহাবিশ্বৰ আৰম্ভণি হোৱা নাছিল। এটা অস্তিত্বপূৰ্ণ শক্তিৰ পৰাই ক্ৰমবিকাশৰ ফলত বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছিল। অৱশ্যে হকিন্সে কোনো ক্ষেত্ৰতে সেই অস্তিত্বপূৰ্ণ শক্তি সত্বাক ঈশ্বৰ বুলি কোৱা নাই।

বিভিন্ন মানসিকতাৰে পূৰ্ণ মানুহ আৰু মানুহৰ সমাজ। কিছুমানে বৈজ্ঞানিক যুক্তি, ভাৱাদৰ্শ, আচৰণ আদিৰ দ্বাৰা পৰিচালিত হয়; আকৌ কিছুমানে সম্পূৰ্ণ বাস্তৱ অভিজ্ঞতাৰে ব্যৱহাৰিক দিশৰ দ্বাৰা পৰিচালিত আৰু আন কিছুমান অযৌক্তিক ধ্যান-ধাৰণা অথবা অতিন্দ্ৰীয় দৰ্শনৰ দ্বাৰা আৰু আন কিছুমানে পৰম্পৰাগত বিশ্বাস আৰু কু সংস্কাৰৰ দ্বাৰা পৰিচালিত হয়। ব্যক্তিৰ বৌদ্ধিক দিশ বিভিন্ন ধৰণে প্ৰতিফলন হ'ব পাৰে কিয়নো তাৰ লগত সামাজিক বাতাবৰণ, কৰ্মকাণ্ড জড়িত হৈ থাকে। সৃষ্টিতত্বৰ যি ঐতিহাসিক যুক্তিযুক্ততাৰ দাবীদাৰ হিচাপে সমাজত দুটা পক্ষ আছে তাৰ প্ৰথমটো হৈছে ধৰ্মীয় ধাৰণা আৰু আনটো বৈজ্ঞানিক ধ্যান ধাৰণা। ইয়াত ধৰ্মীয় ধাৰণা আমাৰ বিচাৰ্য বিষয় হ'ব নোৱাৰে কিয়নো ধৰ্মীয় জ্ঞান, বিশ্বাস, পৰম্পৰা আৰু অযোক্তিক দিশৰ পূৰ্ণ প্ৰতিফলন। সেয়েহে বৈজ্ঞানিক ধ্যান ধাৰণাৰে বিষয়টো চিন্তা কৰিলে দাৰ্শনিক দিশটোত এটা নতুন অধ্যায় আৰম্ভ হোৱাৰ অৱকাশ আছে। বৰ্তমান বিজ্ঞানৰ যুগত মহাবিশ্বৰ আদিকাৰণ জানিবলৈ যে মহাবিস্ফোৰণ চিন্তাই বিজ্ঞানীসকলৰ উত্ৰাবাউল কৰিছে সেই চিন্তাই এটা আনুমানিক বিপৰ্যয়ৰ ইঙ্গিতো দাঙি ধৰিছে। এইটো ঠিক যে মহাবিস্ফোৰণত সংঘটিত হ'ব লগা পৰমাণুৰ বিভাজনে পৰমাণুৰ আভ্যন্তৰীণ গুপুত শক্তি ভাণ্ডাৰত প্ৰচণ্ড আঘাত হানিব যাৰ ফলত মহাজাগতিক প্ৰক্ৰিয়াত আউল লগাৰ সম্ভাৱনাকো নুই কৰিব নোৱাৰি। পৰমাণুত নিহিত হৈ থকা অনিৰ্বচনীয় গতি শক্তিকে (Indeterminate motion) নিৰ্বাচিত ৰূপত ধাৰণ কৰি বিভিন্ন দিশলৈ ক্ৰম সংযোজন ঘটায় গতি তত্বক বিশ্লেষণ কৰিব পাৰি। পৰমাণুত পুঞ্জীভূত শক্তিয়ে গতি লয় আৰু সিয়ে সকলো বিশ্লেষণ আৰু বৈজ্ঞানিক অনুসন্ধানৰ উৎস হৈ পৰে। যদি এই অনিৰ্বচনীয় গতি

শক্তি জগতৰ প্ৰত্যেকটো (দৃশ্যমান/অদৃশ্যমান) উপাদানত নিহিত হৈ থাকে আৰু তাৰ প্ৰভাৱত পৰিয়েই সকলো ধৰণৰ বিবৰ্তন (বিকাশ আৰু সংকুচন) আৰু তাৰ লগত বৌদ্ধিক উত্তৰণ সম্ভৱ হৈ উঠে তেতিয়াহ'লে সেয়া ঈশ্বৰ কণাই হওঁক বা ঐশ্বৰিক শক্তিয়েই হওঁক গ্ৰহণ নকৰাকৈ থাকিব নোৱাৰি। অধিবিদ্যাই কেতিয়াও ঈশ্বৰৰ কোনো সাকাৰ ৰূপ প্ৰতিষ্ঠা কৰাৰ চেষ্টা নকৰে, কিন্তু সত্য অন্বেষণৰ প্ৰতিটো পদক্ষেপ, যেতিয়ালৈকে পৰস্পৰ সাপেক্ষিক হৈ থাকিব, তেতিয়ালৈকে প্ৰকৃত নিৰপেক্ষ সত্য অন্বেষণৰ স্পৃহা অটুট থাকিব। আৰু যদি প্ৰকৃত সত্য উদঘাটন কৰাটোৱে বিজ্ঞানৰ চৰম লক্ষ্য তেতিয়াহ'লেও দুয়োটাৰ মাজত প্ৰকৃত অৰ্থত কোনো বিৰোধ থাকিব নোৱাৰে। অনুশীলন বেলেগ বেলেগ হ'ব পাৰে।

ঈশ্বৰ বিশ্বাস এটা ভ্ৰান্ত ধাৰণা বুলি ক'লেই এজন ব্যক্তি বৈজ্ঞানিক মানসিকতাৰ দ্বাৰ পুষ্ট বুলি ক'ব নোৱাৰি। বিখ্যাত দাৰ্শনিক আইনষ্টাইনৰ কথা সকলোৱে জানে। ঈশ্বৰক অন্ধভাৱে বিশ্বাস কৰা আৰু বৌদ্ধিক যুক্তিৰ দ্বাৰা বিশ্বাস কৰাৰ মাজত যথেষ্ট প্ৰভেদ আছে। বিজ্ঞানৰ চমৎকৃত আৱিষ্কাৰে ঈশ্বৰৰ অস্তিত্বক সন্দিহান কৰি তোলাৰ কোনো অৱকাশ নাই বা বিজ্ঞানৰ জয়যাত্ৰাই ঈশ্বৰৰ অনাস্তিত্বৰ কাৰণো হ'ব নোৱাৰে। বৈজ্ঞানিক মানসিকতাৰ এটা নিভৃত কোণত ঈশ্বৰ বা ঈশ্বৰ সদৃশ এটা বৌদ্ধিক সত্তাৰ স্থান সংগোপনে নিৰূপণ হৈ থাকে। ভল্টেয়াৰে কোৱাৰ দৰে এ, জে আয়াৰ বাট্ৰাণ্ড ৰাছেল, কোপেনহেগেন আদি দাৰ্শনিকে অধিবিদ্যাৰ অধ্যয়ন এটা সাৰমৰ্মহীন বিষয় বুলি কোৱাটো মানি ল'ব নোৱাৰি। কিন্তু এইটোও যুক্তিসংগত নহয় যে কোনো এটা বস্তুৰ বা ঘটনাৰ অস্তিত্ব প্ৰমাণ কৰিব নোৱাৰিলেই যে তাৰ অস্তিত্ব নাথাকিব? উদাহৰণস্বৰূপে মই মোৰ ককাক দেখা নাই বা মোৰ প্ৰমাণ কৰাৰ উপায়ো নাই, আনকি DNA Test কৰাৰো কোনো উপায় নাই তেতিয়াহ'লে মোৰ ককাৰ অস্তিত্ব নাই বুলি ক'ম নেকি? দেখাটোৱে যেনেকৈ সকলো সময়তে সত্য নহয় তেনেকৈ প্ৰমাণ কৰিব নোৱাৰিলেও সি অসত্য হ'ব নোৱাৰে। সেয়েহে আমি ক'ব বিচাৰিছো যে সত্য যিয়েই নহওঁক কিয় সি সদায় সাৰ্বজনীন আৰু নিৰপেক্ষ হ'ব লাগিব। আৰু সেই সত্য অন্বেষণৰ কাহিনীৰ আঁৰত লুকাই আছে এক বৈজ্ঞানিক বিশ্লেষণ আৰু বৌদ্ধিক অনুভূতি।

আমি ভাবো যে বিজ্ঞানৰ নৱতম ধাৰণাবোৰে ঈশ্বৰক প্ৰত্যাখ্যান কৰা নাই; বৰং ঈশ্বৰ ধাৰণাৰ বাবে সমলহে আগবঢ়াইছে। এইটো আমাৰ স্বভাৱজাত ধাৰণা নেকি যে যেতিয়াই আমি নিৰ্দ্ধাৰিত কাৰ্য কোনো কাৰণৰ দ্বাৰা নিৰ্ণয় কৰি ল'ব নোৱাৰো তেতিয়াও আমি ইয়াক অনিৰ্দ্ধাৰিত বিষয় বুলি এৰি দিম? বৈজ্ঞানিক ব্যাখ্যাবোৰো ড° দিনেশ চন্দ্ৰ গোস্বামীদেৱে কোৱাৰ দৰে নিজস্ব স্থায়ী স্থিতি নাথাকে; কিয়নো মানুহৰ বুদ্ধি বিকাশৰ লগে লগে পুৰণি বৈজ্ঞানিক ব্যাখ্যাবোৰৰো স্থিতি সলনি হয়। অনিৰ্দ্ধাৰিত বিষয় এটাক অন্বেষণৰ উদ্দেশ্য হিচাপে লৈ তাক প্ৰক্ৰিয়াগতভাৱে ব্যাখ্যা কৰি নিৰ্দ্ধাৰিত স্থিতি প্ৰতিষ্ঠা কৰাই বিজ্ঞান। বিজ্ঞানৰ যেনেকৈ অন্ত নাই, ঠিক তেনেকৈ সত্য অন্বেষণৰ বিষয় হিচাপে দৰ্শনৰো অন্ত নাই। ঈশ্বৰ আধ্যাত্মিক জ্ঞানৰ উৎস, কিন্তু বৈজ্ঞানিক ব্যাখ্যাই ঈশ্বৰক ঢুকি নাপায়। কাৰণ ইয়াক প্ৰমাণ কৰিব নোৱাৰি। কিন্তু বিজ্ঞানে যদি একমাত্ৰ প্ৰমাণকে সাৰথি কৰি লয়। তেতিয়াহ'লে মানুহৰ মনত স্থিতি লোৱা কিছুমান অৱশ্যম্ভাৱী বিশ্বাস যাক অস্বীকাৰ কৰিবলৈ গ'লে হয়তো নিজৰ অস্তিত্বৰ ওপৰতো সন্দেহ জন্মিব। আমি আগতে কৈছো যে যেনেকৈ ঈশ্বৰ কণাত স্থিত শক্তি এক অৱশ্যম্ভাৱী প্ৰাকল্পিক বিষয় বুলি গ্ৰহণ নকৰাকৈ থাকিব নোৱাৰো। আনকি সেই ধাৰণাটো কেতিয়াও ভৌতিক জগতৰ পৰা প্ৰমাণ আহৰণ কৰি প্ৰতিস্থিত হ'ব নোৱাৰে। আইনষ্টাইনৰ ভাষাত ক'ব গ'লে আমি ক'ব পাৰো যে, "Only intention resting on sympathetic understanding of experience can reach them".

# পৰিৱৰ্তণশীল সময়ৰ যুৱ প্ৰজন্ম

**গোবিন্দ চন্দ্ৰ দাস**
*সহকাৰী অধ্যাপক, শিক্ষা বিভাগ*

সময় পৰিৱৰ্তণশীল। অতীতৰে পৰা আধুনিক যুগলৈকে মানুহৰ জীৱন প্ৰণালী, সভ্যতা, কৃষ্টি, সংস্কৃতিৰ ৰূপ সলনি কৰিছে পৰিৱৰ্তণশীল সময়ৰ চোৰে। এই পৰিৱৰ্তিত ৰূপ দেখিয়েই হয়তো টমাছ জেফাৰছনে কৈছিল— 'প্ৰতিটো যুগতে পৰিৱৰ্তণ আহে। তেনে পৰিৱৰ্তণক বাস্তৱতাৰ দৃষ্টিভংগীৰে চাই সহজে নিজকে খাপ খুৱাই ল'ব পৰাটোহে উচিত, তদুপৰি প্ৰতিটো পৰিৱৰ্তণকে নতুনকৈ মূল্যায়ন কৰা উচিত।

এখন দেশ, জাতি তথা সমাজৰ মূল শক্তি হৈছে যুৱ প্ৰজন্ম। আজি সমগ্ৰ বিশ্বজুৰি এক গভীৰ সংকট হ'ল সামাজিক অস্থিৰতা আৰু যুৱ প্ৰজন্মৰ উচ্ছৃংখলতা। বিশ্বত দৈনন্দিন ঘটি থকা বিভিন্ন অসামাজিক কাম, দুৰ্নীতি, বিপ্লৱ, হিংসা, হত্যা অপ সংস্কৃতিৰ প্ৰভাৱে যুৱ প্ৰজন্মৰ নৈতিক স্খলন ঘটাইছে আৰু মনত অপৰাধ প্ৰৱণতা গঢ় লৈ উঠা দেখা গৈছে। এইক্ষেত্ৰত অপ্ৰিয় হ'লেও সত্য যে, সমাজৰ যুৱ প্ৰজন্মক কৰ্মবিমুখ কৰি নানা প্ৰলোভনেৰে অধঃপতিত কৰিবলৈ চেষ্টা কৰে এচাম বিবেকহীন সুবিধাবাদী শ্ৰেণীয়ে। এই শ্ৰেণীটোৱে অপকৰ্ম কৰাই সমাজখন অবিচাৰ, অনাচাৰ, অত্যাচাৰেৰে পৰিপূৰ্ণ কৰি জনগণক মানসিক অশান্তিত ভোগাইছে আৰু সমাজত সজ ব্যক্তিৰ প্ৰতিপত্তি নাইকিয়া কৰিছে। প্ৰলোভনত ভোল গৈ আৱেগৰ বশৱৰ্তী হৈ যুৱ প্ৰজন্মই নিজৰ বিবেক বিবেচনা হেৰুৱাই কোনটো শুদ্ধ কোনটো অশুদ্ধ পাহৰি পেলায়। অসামাজিক, অপৰাধমূলক কাৰ্য্য কৰিলেই যদি নোপোৱাটোও পায়, ভোগ বিলাস কৰিব পাৰে। তাৰ বাবে চৰিত্ৰ স্খলন ঘটিলেও যেন নতুন প্ৰজন্মই দুখ কৰিব নোখোজে। মুঠতে আৱেগিক হৈ বিবেক বিবেচনা হেৰুৱাই অপকৰ্ম কৰিবলৈ কুণ্ঠাবোধ নকৰাটো অতি দুৰ্ভাগ্যজনক।

যুৱ প্ৰজন্মৰ ইমানেই নৈতিকতাৰ অধঃপতন ঘটিছে যে চাৰিত্ৰিক সততা ৰক্ষা কৰাতো দূৰৰ কথা, 'লজ্জা' কি চিনি নোপোৱা হৈছে। অবাধ স্বাধীনতা ভোগ কৰিবলৈ হাতেহাতে মোবাইল ফোন, গাড়ী বাইক আদিৰে লাহ-বিলাহ কৰিবলৈ গৈ নৱবৰ্ষত পিকনিক, ভেলেনটাইন ডে, বিহু পূজা আদি অন্যান্য অনুষ্ঠানত কালপাত্ৰ নামানি জনসাধাৰণৰ মনত অশান্তি দিয়ে। অবাবতে জীৱনৰ সোণোৱালী সময় নষ্ট কৰি অধ্যয়ন আৰু শ্ৰম বিমুখ হৈ কুৰুচিপূৰ্ণ সাজপাৰ পিন্ধি পাৰ্ক, ডিস্ক', ৰেষ্টোৰা আদি বিভিন্ন ৰাগিয়াল বস্তু সেৱন কৰি দেহা উদঙাই নৃত্য কৰা অশ্লীলতাৰে ভৰা কৰি নিজৰ অস্তিত্বও পাহৰি গৈছে এছামে।

সাম্প্ৰতিক সময়ত যিটো হৈছে, অভিভাৱক সজ শিক্ষিত লোকে ভালদৰে অনুধাৱন কৰিলেহে সমাজৰ সম্পদ যুৱ শক্তিক বিপথে যোৱাৰ পৰা

ৰক্ষা কৰিব পাৰিব। তেওঁলোকৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক উৎকৰ্ষ সাধনত শৈক্ষিক বাতাবৰণ, ৰাজনৈতিক পৰিৱেশ, সামাজিক পৰিৱেশ আদিয়েও প্ৰভাৱ পেলায়। বৰ্ত্তমানৰ শিক্ষা, ৰাজনীতি, সমাজ, জনগণৰ কল্যাণৰ বাবে নোহোৱা হৈছে। প্ৰত্যেকতে কেৱল নিজৰ নিজৰ প্ৰতিপত্তি দেখুওৱা, ধনৰ বাহাদুৰি আৰু ভোগ বিলাসৰ মানসিকতাহে হৈছে। যুৱ প্ৰজন্মই চৌদিশৰ পৰিৱেশ তথা কাৰ্য্যক অনুধাৱন আৰু অনুকৰণ কৰি যায়। এইসকলৰ মানসিকতা বহু দিশত অগ্ৰজসকলৰ ওপৰতো নিৰ্ভৰ কৰে। সেইবাবে সকলোৱে ঘৰুৱা পৰিৱেশটোও সুস্থ ৰখাৰ চেষ্টা কৰিব লাগে। উপযুক্ত শিক্ষা দিয়াৰ পৰিৱেশ সৃষ্টি কৰি সৎ চিন্তা ভাৱনা, সজ কৰ্ম কৰিবলৈ উৎসাহ দি নিজৰ দায়িত্ব পালন কৰি ভৱিষ্যতে এক সহজ সৰল জীৱন যাপন কৰা পৰামৰ্শ দিব লাগে।

সাম্প্ৰতিক সময়ত দৈনন্দিন যিবোৰ অসামাজিক কাম, দুৰ্নীতি, অশ্লীলতাৰে ভৰা কাৰ্য্য, সেইবোৰ ৰাগিয়াল দ্ৰব্য সেৱনৰ ফলত ঘটি আছে। সমাজৰ প্ৰত্যেকজন সুস্থ বিবেকবান মানুহ অধিক দৃঢ় হোৱাৰ সময় হ'ল। সৎ চিন্তা আৰু ন্যায় প্ৰতিষ্ঠাৰ প্ৰতি অধিক আগ্ৰহী হৈ যুৱ প্ৰজন্মক শুদ্ধ পথেৰে আগবাঢ়ি যোৱাত সহায়ক হৈ পৰিলেহে উচ্ছৃংখলতাবোৰ নাইকিয়া হ'ব বুলি আশা কৰিব পাৰি।

# আত্মহত্যা এক চৰম উপহাস

**নাজনীন আহমেদ**
*চতুৰ্থ ষাণ্মাষিক*

আত্মহত্যা এটি শ্বাসৰুদ্ধকাৰী শব্দ। যাৰ বিমূৰ্ত্ত ছায়াই প্ৰস্ফুটিত হ'ব ধৰা এটি জীৱনক ক্ষন্তেকতে মোহাৰি পেলায়। আত্মীয় স্বজন তথা শুভাকাংক্ষীসকলৰ হৃদয়ৰ প্ৰতিটো কণাতে সিঁচি দিয়ে দুখৰ কঠীয়া। বৰ্তমান যুৱ প্ৰজন্মৰ মাজত শেহতীয়াকৈ অভাৱনীয়ভাৱে বৃদ্ধি পাইছে আত্মহত্যাৰ প্ৰৱণতা। আজিৰ যান্ত্ৰিকতাময় পৃথিৱীত এচাম উচ্ছৃংখল মনোভাৱৰ যুৱক-যুৱতীয়ে বিফলতা আৰু আত্মহত্যা এই দুয়োটা বিষয়ক এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি হিচাপে গণ্য কৰিববৈল ধৰিছে। কোনোৱে যদি নম্বৰ লাভৰ প্ৰতিযোগিতাত স্থান লাভ কৰিব নোৱাৰি আত্মহত্যাৰ দৰে ঘৃণনীয় পথ বাছি লৈছে, আন কোনোৱে আকৌ ব্যৰ্থ প্ৰেমৰ কৰুণ পৰিণতি সহ্য কৰিব নোৱাৰি আত্মহত্যা কৰিছে। মুঠতে আত্মহত্যাৰ অজুহাত ভিন্ন। সভ্যতাৰ জখলা বগাই মানুহৰূপী জীৱই উন্নতিৰ জখলাত আৰোহণ কৰিছে যদিও মনৰ সংকীৰ্ণ মনোভাৱক বাদ দিব পৰা নাই। ফলত ইটোৰ পাছত সিটোকৈ আত্মহত্যাৰ ঘটনা ঘটিয়েই আছে। এনে ধৰণৰ পৰিস্থিতিৰ বাবে কেৱল যুৱক-যুৱতীয়েই দায়ী নহয়। আওপকীয়াকৈ দায়ী অভিভাৱক, বৰ্তমানৰ শিক্ষা ব্যৱস্থা আৰু সমাজ ব্যৱস্থা। কেৰিয়াৰ সচেতন পিতৃ-মাতৃয়ে সন্তানক কেৱল নম্বৰ আহৰণৰ আহিলাত পৰিণত কৰিছে। প্ৰতিযোগিতাৰ ধামখুমীয়াত যুৱ-প্ৰজন্মই সাফল্যৰ পিছত দৌৰি দৌৰি যেতিয়া পথভ্ৰষ্ট হয় তেতিয়াই বিচাৰি লয় আত্মহত্যাৰ পথ। আসোঁৱাহপূৰ্ণ শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ মাজত এখন অঘোষিত প্ৰতিযোগিতাৰ সৃষ্টি কৰিছে। নম্বৰকেন্দ্ৰিক শিক্ষা ব্যৱস্থাত যিয়ে সাফল্য অৰ্জন কৰিছে তেওঁ আগুৱাই গৈছে আৰু যিজনে সফলতা লাভ কৰিব পৰা নাই তেওঁ হীনমন্যতাত ভুগি আত্মহত্যা কৰিছে। সেয়েহে প্ৰত্যেকৰে মানসিকতাৰ পৰিৱৰ্তন হোৱা উচিত তেতিয়াহে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ কৰিব জীৱনৰ এটা মাত্ৰ বিফলতাতেই হতাশ হৈ নিজৰ অমূল্য জীৱনটো শেষ কৰাতকৈ পৰৱৰ্তী লক্ষ্যত উপনীত হ'ব পৰাকৈ নিজকে মানসিকভাৱে প্ৰস্তুত কৰি আগবঢ়াটোহে বিবেক মান মানুহৰ কাম। আজিৰ যুৱ প্ৰজন্মই হতাশাক গভীৰভাৱে লোৱাৰ ফলতে ক্ৰমান্বয়ে আত্মহননৰ দৰে অপ্ৰীতিকৰ ঘটনায়ে সমাজখনক ছানি ধৰিছে। হতাশগ্ৰস্ত হ'লেও নিজৰ মনটোক স্থিৰ কৰিব পাৰিলে সমস্যা সমাধানৰ পথ নিশ্চয় ওলাব। ইয়াৰ বাবে লাগিব অদম্য সাহস, আত্মবিশ্বাস আৰু ধৈৰ্য। মনত ৰখা উচিত যে, জীৱনৰ জটিল সমস্যাবোৰৰ লগত সাহসেৰে মুখামুখি হ'ব পাৰিলেহে জীৱনটো হৈ পৰিব অনন্য সুন্দৰ।

# অন্ধবিশ্বাস আৰু আধুনিক সমাজ

**ৰাহুল শৰ্মা**
*চতুৰ্থ ষাণ্মাষিক (বিজ্ঞান শাখা)*

অন্ধবিশ্বাস আৰু আধুনিকতা আপাত দৃষ্টিত দুটা পৰস্পৰ বিপৰীত ধৰ্মী শব্দ। সকলোধৰণৰ অমূলক ধাৰণা আৰু কু-সংস্কাৰৰ পৰা মুক্ত হৈ বিশ্বায়নৰ সৈতে মিলিব পৰা মানসিকতাই আধুনিকতা আনহাতে যি বিশ্বাস বা ধাৰণাই কোনো যুক্তি মানি নচলে তেনে বিশ্বাসেই অন্ধবিশ্বাস।

বিশ্বাস আৰু সংশয় এই দুই অৱস্থাৰ মাজত অৱস্থান হ'ল আধুনিক মানৱ সমাজৰ। সমস্যাজৰ্জৰ মানৱ সমাজে সেয়ে বিজ্ঞানৰ দোহাই দিও নিৰুপায় হৈ অন্ধবিশ্বাসৰ ওচৰত আত্মসমৰ্পন কৰে। অকল ভাৰতবৰ্ষতে নহয় সমগ্ৰ বিশ্বতে ইতিহাসে ঢুকি নোপোৱা কালৰে আগৰে পৰা মানুহে যেতিয়া কোনো ঘটনাৰ কাৰণ বিচাৰি উলিয়াব পৰা নাছিল। তেতিয়া তাৰ পৰা পৰিত্ৰানৰ উপায় বিচাৰি কিছু অদ্ভুত অযুক্তিকৰ কথা কল্পনা কৰি লৈছিল। প্ৰকৃতিৰ ওচৰতো তেওঁলোক পৰাজিত হৈছিল বাবে প্ৰকৃতিৰ প্ৰতিটো শব্দকে ঈশ্বৰ জ্ঞান কৰি পূজা কৰিছিল। এইদৰেই এদিন বৃক্ষপূজা, জলপূজা আদি ধাৰণা সমূহৰ সৃষ্টি হৈছিল।

ভাৰতবৰ্ষ প্ৰাচীন কালতে সভ্যতাৰ উচ্চ শিখৰত আৰোহণ কৰিছিল। ভাৰতীয় সভ্যতাৰ তুলনাত আমেৰিকা, ইংলেণ্ড আদি অধুনা সভ্যতা প্ৰাপ্ত দেশৰ সভ্যতা অতি অৰ্বাচীন। কিন্তু এই সকলোবোৰ দেশতে অন্ধবিশ্বাসৰ প্ৰচলন আছে। বহুক্ষেত্ৰত অন্ধবিশ্বাসসমূহে একো একোটা জাতিৰ সংস্কৃতি ৰূপে জাতীয় জীৱনত প্ৰৱেশ কৰিছে। ঐতিহ্য আৰু যুক্তিৰ এই খেলখনক বি.এচ. নৰৱান নামৰ ব্যক্তি এগৰাকীয়ে সাপ-লুডুৰ খেলৰ লগত তুলনা কৰি কৈছে— While tracing the history of Indian thought, we seem to be witnessing a game of snakes and ladders. Again we see the mind climb higher and higher on ladders of reason and inspiration; it counters of the snake of tradition at one square as another, and slides down."–

ভাগ্য, কুসংস্কাৰ, অন্ধবিশ্বাস এইবোৰ হ'ল নিৰুপায় মানুহৰ আশ্ৰয়স্থল।

কুৰি একৈশ শতিকা বিজ্ঞানৰ যুগ। বিজ্ঞানৰ অবিসম্বাদী জয়যাত্ৰাই আধুনিক জগতৰ বহু পৰিবৰ্তন সাধন কৰিছে। বহু শতিকা জুৰি চলি অহা বহু বিশ্বাস, বহু ধ্যান-ধাৰণাৰ একবিংশ শতিকাৰ বিজ্ঞানে আমূল পৰিবৰ্তন ঘটাইছে। কিন্তু তাৰ মাজতো চলি আছে কুসংস্কাৰ আৰু অন্ধবিশ্বাস। অৰ্থাৎ তাৰ মাজতো চলি আছে কুসংস্কাৰ আৰু অন্ধবিশ্বাস। অৰ্থাৎ বিজ্ঞান আগবাঢ়িছে কিন্তু মানুহে বিজ্ঞান মনস্ক মানসিকতা আয়ত্ব কৰিব পৰা নাই।

আমাৰ সংস্কৃতি মূলতঃ প্ৰাচীন সংস্কৃতি। গাঁওৰ জনসাধাৰণৰ অধিকাংশই লোকবিশ্বাস বা পৰম্পৰাৰ

ওপৰত নিৰ্ভৰ কৰে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে উচ্চশিক্ষিত চহৰীয়া লোকেও অন্ধবিশ্বাসৰ হাত সাৰিব পৰা নাই। ইয়াৰ উদাহৰণ প্ৰতিনিয়ত আমাৰ চাৰিওকাষে সিঁচৰতি হৈ আছে। আমাৰ সমাজত জ্যোতিষ সম্পৰ্কে ৯৯% মানুহৰ বিশ্বাস আছে। সেয়ে কিছু প্ৰতিষ্ঠিত লোকেও দুয়ো হাতৰ দহোট আঙুলিতে গ্ৰহৰত্ন ধাৰণ কৰে। তেওঁলোকৰ বিশ্বাস যে দূৰ-দূৰণিত থকা গ্ৰহবোৰ ইয়াৰ দ্বাৰা সন্তুষ্ট হ'ব। সেয়ে মাজে মাজে আমাৰ সমাজৰ মণ্ট ডেকা, মালু ফকিৰ বা বস্তাবাবাৰ দৰে অলৌকিক ক্ষমতা সম্পন্ন লোকৰ আৱিৰ্ভাৱ হোৱা বুলি দাবী কৰি ৰমৰমীয়া ব্যৱসায় কৰা দেখা যায়। শুনিবলৈ আচৰিত হ'লেও সঁচা যে এওঁলোকৰ ওচৰলৈ যোৱা ব্যক্তিসকলৰ অধিকাংশই আধুনিক মনস্কলোক।

ৰাতি কাউৰীয়ে কৰ্কশ সুৰেৰে মাতিলে বা দিনত শিয়ালে হুৱা দিলে অমংগলৰ আগজাননী বুলি ধৰা হয়। ফেচাৰ নিউ নিউ চিঞৰে মৃত্যুৰ জাননী দিয়ে বুলি বিশ্বাস কৰা হয়। বাটেৰে গৈ থাকোতে যদি মেকুৰী আগেৰে পাৰ হৈছে তেন্তে তিনি খোজ পিছুৱাই হে পুনৰ আগলৈ যায়। এইবোৰ হ'ল প্ৰকৃতাৰ্থত সমাজত চলি অহা কিছুমান অন্ধবিশ্বাস। কিন্তু এই বিশ্বাসৰ বৈজ্ঞানিক ভিত্তি নজনাকৈয়ে আমি এইবোৰ মানি আহিছো।

বসন্ত বা হাইজা বেমাৰৰ উৎপত্তি কিছুমান নিৰ্দিষ্ট বীজাণু। কিন্তু আজিৰ একৈশ শতিকাৰ মানুহেও "আইপূজা" বা "বেজ" আদিৰ হে আশ্ৰয় লয় ইয়াৰ পৰা পৰিত্ৰান পাবৰ বাবে। আমাৰ এবিধ অন্যতম বিশ্বাস হৈছে দেওধা উঠা প্ৰথা। এতিয়াও কামাখ্যা মন্দিৰৰ উপৰিও অসমৰ বিভিন্ন ঠাইত 'দেওধনী' বা 'দেওধা' উঠা দেখা যায়। এইখিনি সময়ত হেনো তেওঁলোকে ভূত-ভৱিষ্যৎ ক'ব পাৰে। অসমৰ এগৰাকী বিখ্যাত মনস্তত্ববিদ ডাঃ দিপালী দত্তই এই ধৰণৰ অৱস্থাক 'মাছ হিষ্টিৰিয়া' বুলি ক'ব বিচাৰিছে। কিছু লোকে কয় যে তেওঁলোকে সপোনত পোৱা নিয়মসমূহ মানি চলিলে কিছু পৰিমানে সুস্থ হৈ থাকে। কাৰণ তেওঁৰ গাত কোনোবাই 'জিন' বা 'পৰী' লম্ভাইছে। এয়াও একপ্ৰকাৰৰ মানসিক বিকাৰ।

সামাজিক কুসংস্কাৰ বা প্ৰমূল্য কিছুমানো অন্ধবিশ্বাসৰ আলম লৈয়ে বৰ্তি আছে। নাৰী নৰকৰ দ্বাৰ, নাৰী বিশ্বাসী গতিকে বুদ্ধিমতী হ'লেও নাৰী অৱজ্ঞাৰ পাত্ৰী। নাৰী আৰু শূদ্ৰৰ বেদ পাঠৰ অধিকাৰ নাই; নাৰীৰ প্ৰতি বৈষম্য, অনাছাৰ; এনেধৰণৰ অনেক অন্ধবিশ্বাসৰে ফল। মনুসংহিতাকে ধৰি শাস্ত্ৰসমূহত উল্লেখ কৰা বহু ধাৰণাৰ উৎপত্তি হ'ল অন্ধবিশ্বাস।

আমাৰ দেশত শতকৰা ৯৯ জন পুৰুষ আৰু শতকৰা ১০০ শতাংশ মহিলাই অন্ধবিশ্বাসী। আমাৰ মাজত 'ব্ৰহ্মদৈত্য' নামৰ এবিধ ভূতৰ কল্পনা কৰা হৈছে। যাৰ অৰ্থ 'হেমকোষ' অভিধানৰ মতে ব্ৰাহ্মণ মৰি হোৱা ভূত।

ভেকুলিৰ বিয়া দিলে বৰষুণ হয়, ঢেকী ওভতাই পুতিলে ৰ'দ দিয়ে আদি অন্ধবিশ্বাসে এতিয়াও আমাৰ সমাজত চিন্তা-চেতনাৰ অগ্ৰগতিৰ ক্ষেত্ৰত বাধা ৰূপে থিয় দি আছে। এটা আচৰিত ঘটনা যে ভাৰতবৰ্ষৰ বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞান বিভাগে দহ হেজাৰ টকা খৰছ কৰি ১৯৮৮ চনৰ ৩১ মে'ত বৰষুণৰ বাবে মথুৰাৰ আৰ্যসমাজ মন্দিৰত হৰিপ্ৰসাদ শৰ্মাৰ দ্বাৰা যজ্ঞ কৰালে। ই ১৯৮৬ চনত মধ্য প্ৰদেশত অনাবৃষ্টিৰ বাবে এজনী ছোৱালীক বলি দিয়া হৈছিল। তেওঁলোকৰ মতে শুকান বালি তিয়াবলৈ হেনো নৰৰক্ত প্ৰয়োজন হৈছিল।

শালিকা চৰাইৰ লগতো বহুত শুভাশুভ বিশ্বাস জড়িত হৈ আছে। এই সম্পৰ্কে কোৱা শুনা যায়—

"One for sorrow, two for joy
Three for letter, four for better
Five for health, six for death."

এই বিশ্বাসৰ বাবে দুটা শালিকা দেখিলে লগে লগে হাত কপালত উঠে।

১৩ সংখ্যাটোও অশুভ বুলি ধাৰণা কৰা হয়। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ এপ'লো ১৩ মহাকাশ যান আৰু ভাৰতৰ উপগ্ৰহ ASIV-D ৰ বিফলতাৰ বাবে এই ১৩ সংখ্যাটোকে জগৰীয়া কৰিছে।

বৰ্তমানে আমাৰ সমাজত বহুলভাৱে প্ৰচলিত এটা প্ৰথা হৈছে 'ডাইনী প্ৰথা'। কোনোবা গাঁওত মাৰি মৰক হ'লে কোনোবাই ডাইনী পোহা বুলি ভাবি তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হয়। প্ৰকৃততে ভূত-প্ৰেত, ডাইনী, যখিনী সঁচাকৈয়ে আছে নে নাই সেইটো নিশ্চিত হোৱাহে প্ৰয়োজন। তাকে নকৰি কিছু মানুহে সাধাৰণ লোকক মাৰি বাতৰি কাকতৰ শিৰোনামা দখল কৰা দেখা যায়।

আমাৰ দেশত প্ৰচলিত লোকাচাৰ সমূহতো বহুত অন্ধবিশ্বাস প্ৰচলিত। পুৰুষে বাহি চোতাল গচকিলে আয়ু ক্ষয় হয়। গতিকে পুৰুষজন উঠাৰ আগতে নাৰী গৰাকীয়ে চোতালখন সাৰি থ'ব লাগিব। মাহেকীয়া হোৱা নাৰীক অশুচি বুলি জ্ঞান কৰি আঁতৰাই ৰখা হয়। কিছু নকৰিবলগীয়া কাম কৰিব দি, মাটিৰ বিছনাত শুবলৈ দি অসুস্থতাৰ মুখলৈ মানুহগৰাকীক ঠেলি দিয়া হয়। এইবোৰ অন্ধবিশ্বাসৰেই ফল।

বৰ্তমান আধুনিক সমাজত বিজ্ঞানৰ প্ৰতি প্ৰবল আস্থা নিজেই এক অন্ধবিশ্বাসত পৰিণত হৈছে। এই পৃথিৱীত কোনো সত্যই চিৰসত্য নহয়। বৈজ্ঞানিক সত্যও নহয়। অন্ধবিশ্বাস মাথো ভূত-প্ৰেত সম্পৰ্কীয় বিশ্বাসতেই সীমাবদ্ধ নহয়, জীৱনৰ সকলো দিশতে অন্ধবিশ্বাসৰ প্ৰভাব আছে। আধুনিক সাজপাৰ পৰিধান কৰা চুট-টাই পৰিধান কৰা ব্যক্তিৰ শৰীৰতো গাত ভস্ম সনা ফকিৰৰ অস্তিত্ব আছে। কিন্তু এটা সময় নিশ্চয় আহিব যেতিয়া সকলোৱে সমস্বৰে ক'ব পাৰিব—

'যুক্তিযুক্তমুপাদেয়ং ৱচনং ৱালকাদপি,

অন্যাদ তৃণমেৱ ত্যজম্ অপি উক্তং পদ্মজন্মানা।'

একবিংশ শতিকাৰ মানুহ হিচাপে আমি এই কামনাকে কৰোঁ।

সহায়ক গ্ৰন্থ ঃ

কিছু কিতাপ, বিভিন্ন বাতৰি কাকত আৰু ব্যক্তিগত অভিজ্ঞতাৰ পৰা লিখা।

# নাৰী দিৱস আৰু নাৰী অধিকাৰৰ প্ৰাসংগিকতা

**আমিনুৰ হক**
*স্নাতক প্ৰথম বৰ্ষ*

নাৰী শব্দটোত লুকাই আছে কোমলতা, সুন্দৰতা। নাৰী হৈছে উৰ্বৰা শক্তিৰ প্ৰতীক। সৃষ্টিৰ আৰম্ভণিৰ পৰা নাৰীসকলে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। নাৰীৰ আটাইতকৈ ডাঙৰ গুণটো হ'ল নাৰীয়ে সন্তান জন্ম দিব পাৰে। পুৰুষৰ সেই গুণটো নাই। ভৱিষ্যৎ উত্তৰাধিকাৰী জন্ম দি নাৰীয়ে এটা পৰিয়াল, এখন সমাজ, এখন দেশ আগবঢ়াই নিয়ে। কিন্তু অতীতৰ পৰা নাৰীক কেৱল গৰ্ভধাৰণৰ এক মাধ্যম হিচাপে ব্যৱহাৰ কৰি আহিছে। নাৰীৰো যে ইচ্ছা অনিচ্ছা, মন আছে, সুখ-দুখৰ অনুভূতি আছে সেইবোৰ চিন্তা কৰাৰ সময় প্ৰায়ভাগ পুৰুষৰ নাই। বছৰ বছৰ ধৰি শাৰীৰিক আৰু মানসিক শাসনৰ বলি হ'ব লগা হৈছে নাৰীসকল। পুৰুষৰ শাসনৰ বলি হোৱা নাৰীৰ মনতো আছিল পুঞ্জিভূত ক্ষোভৰ সৃষ্টি হ'ল। জন্ম ল'লে নাৰীমুক্তি আন্দোলনৰ। বিপ্লৱী নাৰীসকল নাৰী মুক্তিৰ বাবে আগবাঢ়ি আহিল ১৯০২ চনত। নিউয়ৰ্কৰ বস্ত্ৰ উদ্যোগৰ নাৰীসকলে এক নাৰীক কেৱল শয্যাশায়িনী বা ঘৰৰ কাম কৰা মানুহ বুলি ভাবে এনে নহয়। কিছুসংখ্যক পুৰুষেও নাৰী যে পুৰুষৰ সমকক্ষ সেই কথা বুজি পাইছিল। সেয়ে, সেইসকল সমাজ-সংস্কাৰকে নাৰীৰ দুখ, দুৰ্গতি, নিৰ্যাতনৰ বাবে মাত মাতিছিল। পুৰুষৰ সমানে অধিকাৰ পোৱাৰ যোগ্যতা আৰু দেশৰ নাগৰিক হিচাপে অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আদি সকলোবোৰ অধিকাৰ পোৱাৰ যোগ্য সেই বিষয়ে আঙুলিয়াই দিছিল। বহু ধুমুহা, বহু তৰ্ক-বিতৰ্কৰ অন্তত ১৯৭৫ চনৰ মাৰ্চ মাহৰ ৮ তাৰিখে আন্তৰ্জাতিক 'নাৰী দিৱস' পালন কৰাৰ সিদ্ধান্ত লোৱা হয়।

ভাৰতৰ সংবিধানত নাৰী সুৰক্ষাৰ বিষয়টোও ঠাই পাইছে কিন্তু সেয়া কেৱল আইনৰ কিতাপৰ মাজতে সীমাবদ্ধ। বৰ্তমানো নাৰীৰ ওপৰত শোষণ, অন্যায়, অবিচাৰ চলি আছে। পুৰুষ প্ৰধান সমাজত নাৰী আজিও হাতৰ পুতলাস্বৰূপ। পতি সেৱাই যেন নাৰীৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য। পাৰিবাৰিক নিৰ্য্যাতন, উৎপীড়ন, যৌন নিৰ্য্যাতন, মাৰ-ধৰ, গালি-শপনি

এতিয়াৰ নাৰীৰ দৈনন্দিন জীৱনৰ লগৰী। ঘৰে বাহিৰে সকলোতে নাৰীয়ে পুৰুষৰ ওচৰত সম অধিকাৰ বিচাৰিলে কটু কথা শুনিব লগা হয়। এই ক্ষেত্ৰত শিক্ষিত অশিক্ষিত কথা নাই। বহু ভদ্ৰ ঘৰৰ বিদূষী মহিলাও পৰিয়াল, সমাজ, সন্তানৰ মুখলৈ চাই স্বামীৰ অত্যাচাৰ নীৰৱে সহি চকুলো টুকিব লগা হৈছে। ইয়াৰ বাবে আমাৰ সমাজ ব্যৱস্থাই দায়ী। পুৰুষে হেজাৰ দোষ কৰিলেও শেষত দোষী হয় নাৰীগৰাকী। নিজৰ সন্তানৰ, পৰিয়ালৰ সন্তানৰ কথা চিন্তা কৰি অভিযোগ দিবলৈ আৰক্ষীৰ কাষ নাচাপে।

দুখীয়া অশিক্ষিতাসকলৰ দুখ-দুৰ্দশা, কষ্ট আৰু বেছি। স্বামীৰ পৰা পোৱা চৰ-গোৰ তেওঁলোকৰ কাৰণে তেনেই অসাধাৰণ কথা। ঘৰে বাহিৰে এওঁলোক লাঞ্ছিতা। এনেবোৰ কৰিলে নাৰী দিৱস, নাৰীমুক্তিৰ প্ৰাসংগিকতা ক'ত?

আজি একবিংশ শতিকাত ভৰি দিয়ে নাৰীয়ে নিৰাপত্তাহীনতাত ভূগিছে। নাৰী হত্যা, ধৰ্ষণ বৰ্তমান সমাজত 'ভাতৰ লগত পানী খোৱাৰ দৰে' সাধাৰণ কথা।

গতিকে নাৰীসকল অকল শিক্ষিত হ'লেই নহ'ব। নিজক ৰক্ষা কৰিবও জানিব লাগিব। অসংযত, অশালীন পোছাক পৰিধান কৰাৰ পৰা বিৰত থাকিব লাগিব। গতানুগতিক জীৱনৰ ঠেক পৰিধিৰ পৰা নিজকে মুক্ত কৰি সমাজৰ উন্নতিৰ বাবে আগবাঢ়ি আহিব লাগিব। সন্তান লালন পালন কৰাৰ পৰা আৰম্ভ কৰি ঘৰ গৃহস্থী চলোৱা, ৰাজনীতি, সমাজনীতি সকলোতে নিজকে আগবঢ়াই নিব পাৰিব লাগিব। তেতিয়াহে নাৰী মুক্তি আন্দোলন তথা নাৰী দিৱস পালন কৰা সফল হ'ব।

# অসমীয়া ভাষা সংস্কৃতি বনাম যুৱ প্ৰজন্ম

**হাবিবুৰ ৰহমান**
*স্নাতক দ্বিতীয় ষাণ্মাষিক*

প্ৰাকৃতিক শোভাৰ উপৰিও আমাৰ অসম দেশখন সংস্কৃতিৰ ক্ষেত্ৰতো কোনো গুণে কম নহয়। ধুবুৰীৰ পৰা শদিয়ালৈকে বহু জাতি-জনজাতি, ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে অসমীয়া ভাষা-সংস্কৃতিক আৰু অধিক চহকী আৰু বৈচিত্ৰময় কৰি তুলিছে। মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োটি পাৰতেই গঢ় লৈ উঠিছে আমাৰ সংস্কৃতি। আহোম ৰজা-মহাৰজাসকলৰ উপৰিও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰ লগতে আজান পীৰ আদি জ্ঞান কাণ্ডাৰীসকলে যি ঐতিহ্য আমাৰ মাজত এৰি থৈ গ'ল তাৰ উচিত মূল্য আমি কেতিয়াও দিব নোৱাৰিম। কিন্তু প্ৰশ্ন হ'ল আমি এই বিষয়ে কেতিয়াবা ভাবোনে? সেই মহাত্যাগীসকলে কেতিয়াও নিজৰ স্বাৰ্থৰ বাবে কাম কৰা নাছিল। তেওঁলোকে কাম কৰিছিল অসমবাসীক বিশ্ব দৰবাৰত চিনাকি কৰি দিয়াৰ বাবে বিশ্ববাসীৰ আগত অসমক প্ৰতিষ্ঠিত কৰাৰ বাবে।

**অসমীয়া ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত বৰ্তমানৰ যুৱ প্ৰজন্মৰ ভূমিকা ঃ**

কোনোবাই যদি কয় 'মই অসমীয়া' তেন্তে এনে লাগে যেন অসমীয়া জাতিটোক লৈ ঠাট্টাহে কৰিছে। আমি মুখেৰে অসমীয়া বুলি ক'লেই অসমীয়া হ'ব নোৱাৰো। অসমীয়া হ'বলৈ হ'লে ইয়াৰ সভ্যতা সংস্কৃতিৰ প্ৰতি জ্ঞানৰ লগে লগে শ্ৰদ্ধা থকাটোও দৰকাৰী। আজিৰ প্ৰজন্মই বিহু কেইটা বুলি সুধিলে মূৰহে খজুৱায়। তাৰিখতো দূৰৰ কথা অসমীয়া মাহবোৰৰ কেতিয়া, কোনটো মাহ চলি থাকে তাকো ক'ব নোৱাৰে। আমেৰিকাৰ ক'ত, কি আছে বুলি সোধাৰ লগে লগে আমাৰ মুখবোৰ আখৈ ফুটাদি ফুটিবলৈ ধৰে। কিন্তু অসমৰ বেলিকা তেনে হোৱা দেখা নাপাও। এছিয়া মহাদেশৰ প্ৰথমটো ক্ৰীড়া পেভিলিয়ন অসমতেই অৱস্থিত বুলি ক'লে ইয়াক বিশ্বাস নকৰা মানুহো বহুত ওলাব আমাৰ এইখন অসমত। এবাৰ এজন বন্ধুৱে শিৱসাগৰৰ পৰা ঘূৰি আহি মোক কয় যে তাত একোৱেই নাই। তেওঁৰ কথাত মই হতবাক। ঐতিহ্যমণ্ডিত ৰং ঘৰ, কাৰেং ঘৰ, শিৱ দৌল, জয় সাগৰ আদি চাবলৈ কেৱল অসমৰে নহয় ভাৰতৰ বাহিৰৰ পৰ্যটকৰ ভিৰ মই স্বচক্ষে প্ৰত্যক্ষ কৰিছো। তেনেস্থলত

এনে বিকৃত মন্তব্যই নৱ প্ৰজন্মৰ অধঃপতনৰ প্ৰমাণ দিয়ে। কিছুমানে অসমীয়া ভাষাটিক ব্যংগ ৰূপত ব্যৱহাৰ কৰিও অসমীয়া সংস্কৃতিৰ ওপৰত এক মোক্ষম আঘাত হানিছে। ইংৰাজী মাধ্যমত পঢ়াৰ বাহানা দেখুৱাই অসমীয়া ভাষা ক'বলৈ এৰাৰ প্ৰমাণৰো লেখ-জোখ নাই। তেওঁলোকে পাহৰি গ'ল যে অসমীয়া ভাষা সংস্কৃতিৰ ভেটি দৃঢ় কৰা ৰথী-মহাৰথীসকল সেই তাহানিতে ইংৰাজী মাধ্যমতে অধ্যয়ন কৰিছিল। এইসকল ব্যক্তিয়ে ইংৰাজী মাধ্যমত অধ্যয়ন কৰিও অসমীয়া ভাষাৰ বিকাশৰ ক্ষেত্ৰত এক অনবৈদ্য অৱদান আগবঢ়াই গ'ল। ইংৰাজী মাধ্যমত পঢ়াটো দোষৰ কথা নহয়। কিন্তু ইংৰাজী পঢ়াৰ নামত অসমীয়া ভাষা সংস্কৃতি নজনাটোহে ডাঙৰ পাপ বুলি মই ভাবো। অসম ৰত্ন ড° ভূপেন হাজৰিকাই পৃথিৱীৰ বিভিন্ন দেশ ঘূৰি ফুৰোতে মানুহে তেওঁৰ ওচৰত অসমীয়া ভাষা শিকাৰ বাবে আৰু গান শুনাৰ ভিৰ কৰিছিল। কিন্তু মোৰ সমনীয়া কিছুমানে অসমীয়া গীত শুনিলে বমি ওলোৱাৰ দৰে ঘৃণনীয় মন্তব্য কৰিবলৈও কুণ্ঠাবোধ নকৰে। তাহানিৰ ডেকা-গাভৰুৱে ব'হাগ বুলি কোৱাৰ লগে লগে ৰোমাণ্টিক হৈ পৰিছিল। গছৰ তলত হুঁচৰি গাই, বিহু নাচি আনন্দ উপভোগ কৰিছিল। কিন্তু আজিৰ প্ৰজন্মই ব'হাগ কেতিয়া আহে আৰু পাৰ হৈ যায় তাৰ খবৰে নাপায়। কিন্তু জানুৱাৰী মাহটোৰ ক্ষেত্ৰত কিন্তু এখন ওলোটা ছবি পৰিলক্ষিত হয়। সেই নিশা ডেকা গাভৰুৱে মদে-মাংসই খাই বাটে-পথে এক অপ্ৰীতিকৰ পৰিবেশৰ সৃষ্টি কৰে। এই ফলশ্ৰুতিতেই বহুতেই অঁকালতে মৃত্যুকো সাৱটি ল'বলগীয়া হৈছে।

আমি যদি এনেকৈ আগবাঢ়ো এদিন আমি হেৰাই যাম ইতিহাসৰ পাতত ক'লা আখৰেৰে লিপিৱদ্ধ হ'ব আমাৰ পৰাজয়ৰ কথা। তেতিয়া নাথাকিব অসমীয়া নাথাকিব অসম। গতিকে আমি সজাগ হ'বৰ হ'ল। আমাৰ হাততেই আছে অসমৰ চাবিকাঠি। আমি যুৱ-প্ৰজন্মই পাৰিম আমাৰ অসমৰ নাম বিশ্ববাসীৰ আগত উজ্বলাই ৰাখিবলৈ। আহা, আমি আগবাঢ়ো সেই মহান ব্যক্তিসকলৰ আদৰ্শ শিৰত লৈ।

# নাৰী সবলীকৰণ- এক আলোকপাত

**নিৰ্মিতা নাথ**
*স্নাতক তৃতীয় ষাণ্মাষিক*

নাৰী। শব্দটোৰেই যেন সৃষ্টি...সৃষ্টিৰ আধাৰ। এটা পৰিয়াল, এখন সমাজ সৃষ্টিৰ মূল আধাৰ নাৰী। নাৰীৰ পৰাই গঢ় লৈ উঠে সমাজৰৰ সংস্কাৰবোৰ। ঠিক সেইদৰে সবলীকৰণ হ'ল এটা বহু পৰিধি বিশিষ্ট ধাৰণা যি সামাজিক স্বীকৃতি, অৰ্থনৈতিক আৰু ৰাজনৈতিক অংশগ্ৰহণৰ লগত জড়িত হৈ থাকে। নাৰী সবলীকৰণ এনে এক প্ৰক্ৰিয়া যিয়ে নাৰীক এক নতুন সূৰুয অভিমুখে আগবঢ়াই নিব পাৰে। ইতিহাসৰ পাত লুটিয়ালে আমি গম পাওঁ মানৰ সভ্যতাৰ আৰম্ভণিৰে পৰা পৃথিৱীৰ ভিন্ন প্ৰান্তত মহিলাসকলক শোযন কৰি অহা হৈছে। ধাৰণাটো প্ৰথমে ক'ত কেনেদৰে উদ্ভৱ হৈছিল জানিব পৰা নাযায় কিন্তু নাৰী অবলা-দুৰ্বলা বুলি ধাৰণা এটা শতিকা শতিকা ধৰি চলি আহিছে। ভাৰতত নাৰীৰ ওপৰত অত্যাচাৰৰ ঘটনা প্ৰাচীন। ইয়াত যৌতুকৰ কাৰণে বোৱাৰী হত্যা কৰা হয়। যিগৰকী নাৰীয়ে জন্ম লৈ, ডাঙৰ হোৱা ঘৰখন এৰি আন এখন ঘৰলৈ নিজকে সমৰ্পিত কৰে সেইগৰাকী নাৰীকেই একমাত্ৰ যৌতুক আনিব নোৱাৰাৰ অপৰাধত অমানুযিক শাস্তি প্ৰদান কৰা হয়। তদুপৰি ডাইনী হত্যা, কন্যা ভ্ৰূণ হত্যা আদিও নাৰীক ইমানেই অকামিলা অথবা অস্পৃশ্য বুলি ভবা হয় যে কন্যা সন্তান জন্ম দিয়াটোও এটা গুৰ্হত কাম বুলি ধৰা হয়। যাৰ ফলত পৃথিৱীলৈ অহাৰ পূৰ্বেই সেই কন্যাসমূহক ভ্ৰূণ অৱস্থাতেই মাৰি পেলায় এচাম মানুহৰূপী পশুৱে। মহিলাসকলক পৰ্দাৰ আঁৰত ৰখি এক অন্ধকাৰাচ্ছন্ন জীৱনলৈ ঠেলি দিয়ে তেওঁলোকে। ছোৱালীবোৰক চাৰিবেৰৰ মাজত আৱদ্ধ কৰি ৰাখে। ঘৰৰ চাৰিখন বেৰেই যেন নাৰী সকলৰ পৃথিৱীৰ পৰিধি। কিন্তু এইসকল নাৰীৰ মাজৰ পৰাই যে একো একোগৰাকী কল্পনা চাওলা, সুনীতা উইলিয়ামছ, প্ৰতিভা পাটিল সৃষ্টি হৈ আছে, যি চুই আহে আকাশৰ তৰা—এয়া তেওঁলোকৰ অৱগত হ'লেও বুজিব খুব কমেইহে পাৰে। এয়া প্ৰধানকৈ হয় অশিক্ষাৰ কাৰণে। অশিক্ষাৰ ফলতেই নাৰীৰ বিৰুদ্ধে অপৰাধ সমূহ বেছিকৈ সংঘটিত হৈ আছে। এক সমীক্ষা মতে, বৰ্তমান ভাৰতৰ প্ৰায় আটাইকেইখন আদালতত ৯৩,০০০ টা নাৰী নিৰ্য্যাতনৰ গোচৰ জমা হৈ আছে। Report of official crime statistics এ প্ৰকাশ কৰা আন এক তথ্য অনুসৰি ভাৰতত প্ৰতি ২৮ মিনিটত এগৰাকীকৈ মহিলা নিৰ্য্যাতিতা হয়। এইসমূহ অপৰাধ বিশেষকৈ সংঘটিত হয় সেইবোৰ অঞ্চলত য'ত শিক্ষাৰ প্ৰসাৰ কম। গতিকে মানুহবোৰক শিক্ষিত কৰি সজাগতা, নৈতিকতাৰ জ্ঞান দিয়াটো প্ৰয়োজনীয় হৈ পৰিছে। লগতে নাৰী সকলকো শিক্ষাদান কৰি, তেওঁলোকৰ উচ্চশিক্ষাৰ ব্যৱস্থা কৰি নাৰীশক্তিক সবল কৰি তোলাৰ প্ৰয়োজন আহি পৰিছে।

যিহেতু নাৰীৰ বিৰুদ্ধে অপৰাধসমূহ সঘনাই সংঘটিত হোৱা দেখা যায়, গতিকে নাৰী নিৰ্য্যাতনৰ বিৰুদ্ধে কঠোৰ আইন কিছুমান প্ৰণয়ন কাৰটোও

দৰকাৰী। কাৰণ শাস্তিৰ ভয় যিমানে গহীন হ'ব অপৰাধ প্ৰৱণতাও বহু পৰিমাণে কমি যাব। অৱশ্যে ভাৰত চৰকাৰে নাৰী সবলীকৰণৰ অৰ্থে ইতিমধ্যেই বহুত কেইখন আইন হাতত লৈছে। সেইসমূহ তলত উল্লেখ কৰা হ'ল—

1. Dowry Prohibition Act, 1961

2. Sati Prohibition Act, 1987

3. Indecent Representation of women prohibition Act, 1986

4. National Commission for Women Act, 1990

5. Protection of women for Domestic violence, 2005

6. Protection of women Against Sexual Harassement bill, 2007 (এতিয়াও Pass হোৱা নাই)

আইন সমূহ প্ৰণয়নৰ ক্ষেত্ৰত চৰকাৰ কিছু পৰিমাণ সফল হোৱা বুলি ক'ব পাৰি। কাৰণে পূৰ্বতে থকা 'সতী যোৱা' যিটো প্ৰথা, য'ত মহিলা এগৰাকীক বাধ্য কৰোৱা হৈছিল স্বামীৰ চিতাৰ জুইত জাঁপ দিবলৈ সেই প্ৰথা বৰ্তমান ভাৰতত অপ্ৰচলিত। ঠিক সেইদৰে ভ্ৰূণ হত্যাৰ বিৰুদ্ধেও চৰকাৰে ব্যৱস্থা লৈছে বুলি জানিব পৰা গৈছে। নাৰী সবলীকৰণৰ ক্ষেত্ৰত ভাৰতৰ ৰাজ্যসমূহৰ অংশগ্ৰহণো মন কৰিবলগীয়া। এক সমীক্ষা মতে—ভাৰতৰ ১৫ খন ৰাজ্যৰ ভিতৰত কেৱালা নাৰী সবলীকৰমৰ ক্ষেত্ৰত ধনাত্মক দিশ প্ৰাপ্ত কৰিছে। তামিলনাডু আৰু পশ্চিমবঙ্গই মধ্যস্থান অটুট ৰাখিছে। উত্তৰ প্ৰদেশ আৰু বিহাৰত নাৰী সবলীকৰণৰ ক্ষেত্ৰত কোনো পৰিৱৰ্তন হোৱা নাই। তৃতীয়, পঞ্চম আৰু সপ্তম স্থান অধিকাৰ কৰিছে ক্ৰমে কৰ্ণাটক, মাহাৰাষ্ট্ৰ আৰু গুজৰাটে (২০০১-২০০৭)। অন্ধ্ৰ প্ৰদেশে নাৰী সবলীকৰণৰ এক নিয়মীয়া বিকাশ লাভ কৰিছে। ২০০১-০৭ চনত অসম, পঞ্জাৱ আৰু হাৰিয়ানাই ঋণাত্মক দিশে গতি কৰিছে য'ত উৰিষ্যা, মধ্য প্ৰদেশ আৰু ৰাজস্থানে আন বছৰৰ তুলনাত উচ্চ স্থান লাভ কৰিছে।

গতিকে দেখা গৈছে যে ভিন্ন ৰাজ্যত নাৰী সবলীকৰণৰ হাৰ বেলেগ বেলেগ। অসমৰ কাৰণে এয়া লজ্জাজনক যে নাৰী সবলীকৰণৰ নামত ইয়াত কিছুমান ভেকোভাওঁনা হোৱাৰ বাহিৰে আন একো অগ্ৰগতি লাভ কৰা নাই।

সমাজ এখন নাৰী অবিহনে কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। নাৰীক প্ৰকৃতভাৱে সবল কৰি তুলিবলৈ হ'লে ৰাষ্ট্ৰৰ সকলো নাৰীক জাতি-বৰ্ণ নিৰ্বিশেষে পুৰুষৰ সমানে সুযোগ দান কৰিব লাগিব। সেয়া শিক্ষা, ক্ৰীড়া, কৃষি, অৰ্থনীতি, সমাজ, ৰাজনীতি য'তেই নহওঁক। চৰকাৰৰ প্ৰতিখন আঁচনিতে নাৰীক পুৰুষৰ সমানেই অধিকাৰ প্ৰদান কৰাটোও প্ৰয়োজনীয়। আৰু শেষত সবাতোকৈ জৰুৰী আৰু গুৰুত্বপূৰ্ণ কথাটো, যাক সকলোৱে আন্তৰিকতাৰে গ্ৰহণ কৰা উচিত সেয়া হৈছে-মানৱতা। প্ৰতিজন নাগৰিকে মানৱীয় মূল্যবোধৰ বীজ মনত পোষণ কৰিলেহে নাৰী সবলীকৰণ প্ৰকৃতাৰ্থত সফল হৈ উঠিব।

# নাৰী হোৱাটো কি অপৰাধ

**পল্লৱী দাস**
*স্নাতক তৃতীয় বৰ্ষ*

শীতৰ কাল আৰু আকাশখনো অলপ ধোঁৱাবৰণীয়া হৈ আছে। ছাগে বৰষুণ দিব। মেজৰ ওপৰত বহি কলম আৰু কপিটো লৈ ভাবিলো কি লিখিম হঠাতে মনত এষাৰ কথাই হিয়াখন কপাই থৈ গ'ল।

জোনালী ৰামপুৰ নামৰ এখন ঠাইৰ পৰা চহৰলৈ গৈছে উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ। চকুত অযুত সপোন লৈ চহৰলৈ গৈছে তাই। জোনালী দেখিবলৈ অতি সুন্দৰ আৰু তাই ভাল নাচেও।

জোনালীৰ ঘৰৰ আৰ্থিক অৱস্থা ইমান ভাল নহয়। ঘৰত মা দেউতা আৰু সৰু দুজন ভায়েক। মাক দেউতাক জোনালীয়ে প্ৰতিশ্ৰুতি কৰিছে তাই সোনকালে ঘৰৰ আৰ্থিক অৱস্থা ভালৰ দিশত লৈ যাব।

আজিৰ সমাজত নাৰী আৰু পুৰুষৰ মাজত কোনো পাৰ্থক্য নাই দুয়োয়েই সমান অধিকাৰ সমান ভাৱে চলিব পাৰে, আগবাঢ়িব পাৰে। কিন্তু তথাপিও ক'ত বা এটা ঠাই এতিয়ালৈকে কমি থাকি গৈছে। এতিয়া কিছুমানে মানি ল'ব পৰা নাই যে নাৰী আৰু পুৰুষ সমান বুলি এয়া হ'ল সমাজৰ লোকৰ নিজৰ নিজৰ দৃষ্টিভংগীৰ কথা। আজিও নাৰীক পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰে। নাৰী যি হ'ব পাৰে মা, বাইদেউ, ভণ্টী বা পত্নী। মা হ'ল এক অতুলনীয় শব্দ যিটো শব্দ শুনাৰ লগে লগে হৃদয়খন গদ্ গদ্ হৈ যায়। আজি আমি মাৰ কাৰণে ইমান সুন্দৰ পৃথিৱীখন উপভোগ কৰিব পাৰিছো। চাব পাৰিছো প্ৰকৃতিৰ সৌন্দৰ্যবোৰ।

জোনালীৰ কলেজীয়া জীৱন বেচ ধুনীয়া। ঘৰৰ পৰা কলেজ দূৰ হোৱা কাৰণেই তাই চহৰলৈ গৈ হোষ্টেলত থাকিবলৈ লৈছে। হোষ্টেলৰ ৰুমমেটৰ লগত জোনালীৰ বহুত ভাল সম্পৰ্ক। হয়তো বাউদেউ আৰু ভণ্টীৰ দৰে। জোনালীৰ দেউতা এখন স্কুলত চাকৰি কৰে। তাৰে আধা পইচা জোনালীৰ পঢ়া-শুনাৰ কাৰণে আৰু আধা ঘৰখন চলাবলৈ ব্যৱহাৰ কৰে। কম পইচা হোৱাৰ পিছতো তেওঁলোকৰ মনত কোনো দুঃখ নাই কাৰণ তেওঁৰ ডাঙৰ ছোৱালী ডাক্তৰ হ'ল আৰু কোনো চিন্তা নাই।

নাৰীসকলো আজিকালি স্বনিৰ্ভৰশীল হ'ব বিচাৰে। কাৰণ ২১ শতিকাত কোনেনো কাৰ অধীনত থাকে। অকলে চলা ফুৰা কৰা অকলে এঠাইৰ পৰা আন এঠাইলৈ অহা যোৱা কৰা।

জোনালী তাই নিজৰ কাম নিজে কৰি ভাল পায় আৰু নো তাই নিজৰ প্ৰয়োজনীয় বস্তুবোৰ কাক আনিব দিব। কলেজৰ ক্লাছৰ পৰা চুটি পায় মাথো দেওবাৰৰ দিনাখন। দেওবাৰৰ দিনা নিজৰ কামবোৰ নিজে কৰি লৈ আহে তাই। আৰু সেইদিনা দেৰি হ'লেও তো কথা নাই। দেওবাৰ মাথো দেওবাৰ।

নাৰী জীৱনটো যে কেনে ধৰণৰ কবই নোৱাৰি। কাৰোবাৰ ঘৰৰ ছোৱালী আজি দুদিনমান পিছত আন এখন ঘৰৰ বোৱাৰী। সেই ঘৰৰ দায়িত্ব বহন কৰি যাব লাগে। এয়ে জীৱন নাৰীৰ।

চকুৰে বৈ থাকে.......অহৰহ.......
'চকুপানী'।

# এজাক বৰষুণ হৈ আহিছিলা তুমি

মিতুৰাণী মেধি
বি.এ প্ৰথম বৰ্ষ

আজি বৰকৈ মনত পৰিছে তোমালৈ
তোমাৰ হাঁহিটিলৈ,
বৰকৈ মনত পৰিছে জানানে ?
তোমাৰ এটি মিঠা হাঁহিৰ আশাত
ৰৈ আছো মই।

কেৱল এবাৰ আহি
মোৰ হৃদয়ত বলা ধুমুহা জাকক,
শান্ত কৰি যোৱা।
কেৱল এবাৰ আহি
স্পৰ্শ কৰি যোৱা,
মোৰ শুষ্ক হৃদয়ক।
মেঘাচন্ন আকাশৰ তলৰ
এই ভঙা জুপুৰিত,
কেৱল এবাৰ তুমি
বৃষ্টি ৰূপত আহি যোৱা।

# আঁৰত

ফিৰোজ পাৰবীণ
একাদশ বৰ্ষ

বেলিৰ আঁৰত আছে কিমান যে তৰা
পৃথিৱীৰ বুকুত আছে বহুতো নৈ, নিজৰা।
মেঘৰ আঁৰত থাকে বৰষুণ
বজ্ৰপাতৰ আঁৰত থাকে জুই।
ভাগ্যৰ আঁৰত থাকে ক্ষমতা
থাকিব লাগিব বীৰৰ দৰে দক্ষতা।
বিবেকৰ আঁৰত থাকে বুদ্ধি
সেৱাৰ দ্বাৰা হ'ব পাৰে কাৰ্য্যফল সিদ্ধি।
মানৱ জীৱন ভুল-শুদ্ধৰে গঢ় লয়
সেৱা মানৱ জীৱনৰ আঁৰত লয় আশ্ৰয়।
আৱেগৰ আঁৰত থাকে আত্মহত্যা
বিপদৰ পথত ওলায় বিকল্প ব্যৱস্থা।
যদি বিচাৰি নাপায় একো ভাল ৰাস্তা
শেষত হেৰুৱাব লগা হয় সকলো আস্থা।।



# বসন্ত পুনৰাই নাহে

অৰ্পনা দাস
বি এ দ্বিতীয় বৰ্ষ

বসন্ত আহিছিল
প্ৰতিবাৰ
এজাক বৰষুণ, জীপাল প্ৰকৃতি
আৰু কিমান যে সেউজীয়া...

অ', বসন্ত আহিছিল
প্ৰতিবাৰ
এখনি ঘৰ, কেন্দ্ৰত মই গতানুগতিকতা
আৰু এমুঠি সপোন।

কপালত জ্বলিছিল এটুকুৰা জুই
অকণ উত্তাপ,
বিশাল নিৰাপত্তা।

সময়বোৰ ভয়ঙ্কৰ কৰি,
সপোনবোৰ আঁছোৰি মোহাৰি
মাটি, পানী, বায়ুত কেৱল শূন্যতাবোৰ সিঁচি সিঁচি

কোনোবা ফাগুনী পচোৱাৰ কোবত
নুমাই গ'ল জুইকুৰা।

অকণ উত্তাপ আৰু
বিশাল নিৰাপত্তাৰ জুইকুৰা।

পুঁহৰ জাৰত ঠৰঙা লাগিছোঁ
চৌদিশ শুকুলা
সেউজীয়াবোৰ মাথো অতীততহে ভাঁহে
বসন্ত পুনৰাই নাহে।



# কৃতকাৰ্য্যতা

ধৃতিৰাণী নাথ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

বিচাৰিছো আমি তোমাক পূৰ্ণিমাৰ আকাশৰ
বিশাল পৃথিৱীখনৰ মাজত,
বিচাৰিছো আমি তোমাক সূৰুয উদয়ৰ
নীল বৰণৰ পোহৰৰ মাজত।
কিন্তু ক'ত! তাতো দেখোন তুমি নাই
হয়তো তোমাক আমি বিচাৰিবই জনা নাই।
অথবা
তোমাক আমাৰ বিচাৰি অনাৰ ক্ষমতা আৰু নাই।
কাৰণ আমি সকলোৱে দুৰ্নীতি
আৰু অন্ধকাৰত আছো বুৰ গৈ।
আজিৰ পৃথিৱীৰ চাৰিওদিশ কেৱল বোমা বাৰুদৰ ধোৱা।
কিয় হ'ল বাৰু মানুহে মানুহক ভাল নোপোৱা।
আহা তুমি আমাৰ মাজলৈ, দিয়া আমাক জ্ঞান
আমিও কৰিম শান্তিৰে জীৱন যাপন।

# তোমাৰ স্মৃতিয়ে সজোৰা অনুভৱ

শাশ্বতী ৰাভা
স্নাতক তৃতীয় বৰ্ষ
(কলা শাখা)

এৰি আহিলো তোমাক
সেই তাহানিতে,
কোনোবা এটা দিনত
মোৰ অজানিতে।

তোমাক এতিয়া মনত পৰে
মনটো উৰি যায় স্মৃতিৰ,
কুঁৱলীৰ মাজত খেপিয়াই খেপিয়াই
তোমাক বিচাৰি।

মই দেখো
তুমি যেন শৰতৰ জোনাক ৰাতিত
ফুলি থকা শেৱালীৰ সুবাসত,
দুৱৰি বনৰ সেউজ দলিচাৰ
নিয়ৰ সিক্ত শেৱালীৰ
নয়ন জুৰোৱা
চেঁচা কোমল পৰশত।

তুমি যেন সে
কঁহুৱাডবাৰ কপাহী মেঘৰ
নাচি থকা বতাহৰ ভাঁজত
টুপুৰ্ টুপুৰ্কৈ সৰা
শাৰদীয় বৃষ্টিৰ মৃদু পৰশত
মোৰ খেৰৰ ঘৰৰ চালত
ওলমি ওলমি এটি এটিকৈ
সৰি পৰা মুকুতা মণি টোপালত।

মই দেখো
তুমি যেন শীতৰ দিগন্ত ছানি ধৰা
কুঁৱলীৰ আঁচলত।

তোমাক যেতিয়া মনত পৰে
অবুজ বেদনাই আগচি ধৰে,
উদং বুকুত অতীতৰ সোঁৱৰণিয়ে
বিষাদৰ এটি এটি বালিৰে
মৰুভূমি সজায় আৰু মৰীচিকাই
মোক বাৰে বাৰে ঠগে।



# যুগ ধৰ্ম

আশ্ৰাফুল ইছলাম
স্নাতক প্ৰথম বৰ্ষ
(কলা শাখা)

হে অজ্ঞপ্ৰজা
মোক পাতা ৰজা
যদি হ'ব পাৰোঁ ৰজা
অট্টালিকাটো হ'ব সজা
যদি হয় ইলেক্চন
ময়ে হম চিলেক্চন।
যদি দিবলগীয়া হয় ভোট
দিবলৈ নকৰিবা দ্বিধাবোধ
সুনিশ্চিত হ'ব মোৰ জয়
নকৰিবা তোমালোকে ভয়।
পদমৰ্য্যদা শিৰত লৈ
যাম মই অঞ্চললৈ
আদৰ সম্ভাষণৰূপে গামোচা পাম
সেইবোৰ লৈ ৰাজসভালৈ যাম।
হওঁক দেশ ধ্বংস
বজাম মই আনন্দৰ শংখ
নাজানো দেশোন্নতিৰ অৰ্থ
লাগে মাথোন স্বজনপ্ৰীতিৰ স্বাৰ্থ
হওঁক দেশৰ ক্ষতি
ৰওঁক মোৰ স্বগতি।

# ৰাতি বাঁহী নবজাবি সপোনকোঁৱৰ

নিমিতা দেৱী
বি এ তৃতীয় বৰ্ষ

ৰাতি বাঁহী কিয় বাৰ' সপোনকোঁৱৰ
বাঁহীত তোৰ কানাই জগোৱা মাত
কোনে জানে কোনে জানে.....
সেয়া তোৰ হৃদয়ৰ বিষাদৰ ৰাগ

তোৰ ওঁঠৰ চুম্বন আৰু
গৰখীয়া আঙুলিৰ নাচোনত
সপোনকোঁৱৰ,
বিধৱাজনীৰ উকা কপালে বিনায়
অস্তমিত সূৰুযৰ বিষাদ গাথা,
ৰাতিৰ নৰ্তকীৰ দুচকুয়ে বিচাৰে
এখনি সপোনৰ ঘৰ
এটোপাল চকুলো সুখৰ-দুখৰ.....

আন্ধাৰ ফালি ভাহি আহে তোৰ বাঁহীৰ সুৰ
শৰতৰ মলয়াজাক থিতাতে পছোৱা হৈ
উৰুৱাই নিব খোজে
এই কলংকিত দেশ,
নৈখনে গতি সলায়
আৰু কৰবাৰ পৰা উঠি আহে
সাধুকথাৰ ছোৱালী এজনী।

পৰিৱৰ্তন যদিও কাম্য মোৰ
তথাপি,
য'ত যি আছে তেনেকৈয়ে থ'ক

ৰাতি বাঁহী নবজাবি
—— অ' সপোনকোঁৱৰ
যন্ত্ৰণাৰে পিষ্ট হয় বুকু।।

# বগুৱান ছোৱালী হাইস্কুললৈ বিদায়ৰ মূহুৰ্তত এষাৰ

ধৰিত্ৰী নাথ
একাদশ বৰ্ষ

এতিয়াৰে পৰা তুমি আৰু মই
এখনি নদীৰ দুটি পাৰ,
এটি পাৰত সেউজীয়া কোমল ঘাহঁনি
আনটি পাৰত সেমেকা চকুজুৰি।
তোমাৰ সেউজীয়া পৰশ লাগি
উজ্বলি উঠিলে গোটেই জীৱনজুৰি,
সুখ-দুখৰ মাজতো কটাই দিলো
মধুময় এই তিনিটি বছৰ।
বিদায়ৰ মূহুৰ্তত পুৰণি দিনবোৰ সোঁৱৰি
তোমাৰ মনত দিব নোখোজো আমনি,
হৃদয়ৰ এচুকত সদায়েই ৰাখিম সাঁচি
সেই সোণোৱালী দিনবোৰৰ স্মৃতি।
মোৰ জীৱনৰ বিদায়ৰ বেলিকা
হ'বা তুমি আন এগৰাকীৰ লগৰী,
আহিব লাগিব মই সচাঁকৈ
সিদিনা তোমাৰ কাষৰ পৰা আঁতৰি।
কিযে তোমাৰ চতুৰালি
সলনি কৰি থকা তোমাৰ লগৰী,
সুন্দৰ তোমাৰ কৃতিত্বৰ বুকুত
যেতিয়া লাগিব গোলাপৰ পাহি।
সাৰ পাব সেইজনীৰ ভৱিষ্যত জীৱনে
সপিব পাৰিবানে মনে প্ৰাণে একেলগে?
পাৰিব লাগিব তুমি
তুমি যে তাইৰ জীৱন লগৰী।



# TEACHER

Abdul Mannan Sk.
B.A. 3rd Sem.

Oh! Dear Teacher
Find you not other,
The helps to read and write
Also to remove greed and pride.

Thou helps to read and write
Also to follow the thruth and right,
To you, I the learner
To me, you are the teacher
You to me the gift of nature.

Teacher, you the guide
The helps to be bright,
Teacher guide the children we,
And leads the country in queue.



# Remembering Grandpa

Papu Das
B.A. 2nd Sem.

The evening sky.
With a cluster of stars.........
What a mesmerising sight itis,
When viewed from my room's windows bars
Those stars were my love once,
But, I am lost today............
Lost amidst tears,
Lost in darkness and in fear;
I have lost someone,
With whom I had been so close......
He's none,
But my Grandpa;
Whose care made me better;
Whose dreams for me,
Made me stronger;
Whose love gave me wings to fly higher.......
But today,
I am sad,
I am weak,
And I am wingless in your absence, Grandpa......

# Nature's Beauty

Jupitara Nath
B.A. 3rd Year

The Holy Blessings of the Lord,
Have risen up
But, the sun is still hiding,
Behind the cloudy sky
Oh! Look for it.........
The serene atmostphere covered with fog and mist
Seems like the clouds have come ---
To feel the Holy Nature of our Earth
The cooping and chirping of the birds
Their happiness rto be the part of this beautiful nature
I walked along the greeneries
The cool morning shivering my body
Ah! Look at, look at
The clouds drinking the Holy water,
Of the mighty Brahmaputra
The fresh air breezing gently and softly
The boat at the half lying bank of the river
Creating a majestic sight
Oh! The dried leaves of the trees falling apart
And the lush green forests touched the eye
Why so the man destroys them?---
Thou created a scenic beautiful atmosphere
What would be my earth without them?
The fragrance of the flowers
And the colourful butterflies over it
The fogos now disappearing slowly
And, the peeping sun, between the clouds,
Has come out and illuminating its rays everywhere,
Making the day warm and bright
The tremendous beauty of nature is dignified
Making it true for ---
'The Holy Blessing of the Lord'.

# সুবাসিত জীৱন

**মুণ্টাজিমা আহমেদ**
*স্নাতক দ্বিতীয় যাণ্মাষিক*

পোৱা-নোপোৱা, হাঁহি-কান্দোনৰ মাজেৰেই আগবাঢ়ে জীৱন। বিভিন্ন ঘাত-প্ৰতিঘাতে থকা-সৰকা কৰিলেও জীৱনে বিচাৰে শান্তিৰ অমিয়া ধাৰা, উপভোগ কৰিব বিচাৰে সৌন্দৰ্য ৰূপ, প্ৰেমৰ কোমলতা। হতাশাৰ যন্ত্ৰণাক প্ৰশমিত কৰে আনন্দৰ ফল্গুধাৰাৰে। নোপোৱাখিনিক বাদ দি পোৱাখিনিক লৈ আগুৱাই যোৱাটোৰেই জীৱন। কিয়নো এয়াই সুবাসিত জীৱন।

প্ৰত্যেকৰে জীৱনলৈ চিৰসত্য এক অনুভূতি এবাৰলৈ হ'লেও আহে। স্বৰ্গীয় অনুভূতি এই প্ৰেমৰ ঝংকাৰে মোৰো হৃদয়খন আলোড়িত কৰি তুলিছিল। এবাৰলৈও ভবা নাছিলো মোৰ দৰে মানুহ এজনে এইদৰে প্ৰেমত পৰিম বুলি। আৰু প্ৰেমত হাবুডুবু খাই জীৱনৰ গতিটোৰেই সলনি হৈ যাব বুলি। হয়তো তাইও ভবা নাছিল। কাৰণ এক সম্পূৰ্ণ নাটকীয়ভাৱে এই প্ৰেমৰ আৰম্ভণি ঘটিছিল। এতিয়াও স্পষ্টকৈ মনত আছে সেই দিনবোৰৰ কথা। মনত পৰিলেই এক অজান আবেগত, এক মিঠা অনুভৱত বুৰ যাওঁ।

সেই বছৰ আমাৰ কলেজীয়া জীৱনৰ অন্তিম বৰ্ষ আছিল। লগতে হোষ্টেলীয়া জীৱনৰো। হোষ্টেলৰ একোটাকৈ অংগ আছিলো আমি আকাশ, অৰ্ণৱ, পংকজ, ৰাজ আৰু মই মানে অভি; অভিৰাজ চক্ৰৱৰ্তী। প্ৰতিবছৰে এডমিছনৰ সময়ত কলেজ কম্পাউণ্ডত এক উৎসৱমুখৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। নতুনকৈ অহা ধুনীয়া ধুনীয়া সহজ সৰল মুখবোৰেই আছিল সেই উৎসৱৰ আকৰ্ষণৰ মূল কেন্দ্ৰবিন্দু। অৱশ্যে ল'ৰাবোৰৰ সকলোৰে প্ৰেমিকা আছিল। কিন্তু মোৰ দৰে ল'ৰা এটাই যিয়ে ছোৱালীৰ নাম শুনিলেই দহ হাত পিছুৱাই যায়, সি কলেজত যাব ছোৱালী চাবলৈ তাকো প্ৰেম কৰাৰ বাবে।

সকলোৱে বলকি থাকিছিল, "তই কি ধৰণৰ মানুহ অ'? ইমানদিনে ছোৱালী এজনী পটাই ল'ব পৰা নাই। কিবা হেল্প লাগিলে আমি কৰিম। কিন্তু তই টোপনিৰ পৰা জাগ। চা কিমান ধুনীয়া ধুনীয়া মুখৰ ছবি, হাঁহিৰ খিলখিলনি।" এনেকৈ বুজাইছিল যেন প্ৰেম কৰাটো এক অলিখিত ধৰা-বন্ধা নিয়মহে। যি হওঁক প্ৰথমাৱস্থাত খং উঠিছিল যদিও পিছলৈ লাহে লাহে হাঁহি উৰুৱাই দিয়া হ'লো। সেইবোৰলৈ গুৰুত্ব নিদিয়া হ'লেও মনে মনে ময়ো অনুভৱ কৰিছিলো জীৱনত এগৰাকী নাৰীৰ অভাৱ। ইচ্ছা কৰিলে মইও এজনীক পটাই লোৱাটো একো টান কাম নহয়। কিন্তু না। মোৰ সপোনৰ নাৰীগৰাকীক নেদেখাজনে নিজেই মোৰ সন্মুখলৈ লৈ আহিব যেতিয়া সময় হ'ব। আৰু তেতিয়াহে আহিব মোৰ জীৱনৰ সাৰ্থক। কিন্তু কিদৰে দেখা হ'ব, প্ৰেম হ'ব সেইবোৰ ভাবি ৰোমাঞ্চিত হৈ উঠিছিলো। কিন্তু লাহে লাহে সকলো পাহৰি পঢ়া-শুনাত ডুব গ'লো। ক্লাচ প্ৰেকটিকেল লাইব্ৰেৰীৰ ব্যস্ততাৰ মাজত হঠাতে এদিন উমি উমি জ্বলি থকা জুইকুৰা যেন শাঁত পৰি

গ'ল এছাটি চেঁচা মলয়াৰ কোবত। মৰমলগা মুখখনেৰে খীন-মীন ছোৱালীজনী। ক্লাচ শেষ কৰি ওলাই অহা ছোৱালীজনী গৰমৰ কোবত ঘামি-জামি ৰঙা পৰি আছিল। তাইক দেখাৰ পৰাই মোৰ অন্তৰাত্মাই জপি আছিল "এইজনীয়েই তোমাৰ সপোনৰ নাৰী অভি। সঁচাই যেন মই ইমানদিনে অপেক্ষা কৰি থকা সেই গৰাকী নাৰীয়েই আহি আজি দুচকুত ধৰা দিছেহি আৰু পোনে পোনেই মোৰ হৃদয়ৰ কোনোবা গভীৰ কোণত থিতাপি ল'লে। ইয়াৰ পিছৰ পৰাই মোৰ অৱস্থা হৈছিল চাবলগীয়া। মনটো যেন সোণাৰুতকৈও হালধীয়া হৈ পৰিল। শয়নে-সপোনে মাথো সপোন কুঁৱৰীক লৈয়ে সপোন ৰচো। পিছে ভয় এটাই সেই সপোনত যতি পেলালে। সেই ভয় আছিল তাইক পোৱাৰ আগতে হেৰুওৱাৰ ভয়। মই যে তাইৰ প্ৰেমপ্ৰাৰ্থী সেই কথাই তাইক জনাবতো লাগিব। জনাবলৈ গ'লে হ'ব পৰা সাম্ভাব্য পৰিস্থিতিৰ কথাও ভাবি চালো। আকাশ পাতাল ভাবিও উপায় এটা উলিয়াব নোৱাৰি বন্ধুৰ সহায় বিচাৰিলো। পিছে সহায়ৰ সলনি বন্ধুৱে ধমকহে মাৰিলে। কোন, কি নাম, ক'ত থাকে একো নজনাকৈ তোৰ কি মাথা মুণ্ড সহায় কৰিম, তাইক ক'ত বিচাৰিবি। মই তাক বুজালো, "চা ওপৰৱালাই তাইক পঠাইছে যদি তাইক পুনৰ লগ পামেই চাবি। তদুপৰি এই কলেজতে পঢ়ে তো ইয়াতে বিচাৰিম।" বচ্ পিছদিনাৰ পৰাই আৰম্ভ হ'ল অনুসন্ধান। কিছুদিনৰ পিছত দেখা পালো। ক্লাচ ৰুমত বহি আছে। ছোৱালীজনীৰ কলেজীয়া জীৱনত এয়া আৰম্ভণি বৰ্ষ। নাম নীলঞ্জনা দত্ত। বন্ধুহঁতে শিকাই বুজাই পঠিয়াই দিলে তাইৰ ওচৰলৈ। কিন্তু মোৰ কাণ-মূৰ গৰম হৈ বোবা হৈ পৰিলো। লাহেকৈ তাইৰ কাষেদিয়ে গুচি আহিলো। বন্ধুহঁতো কম নহয়। "একেবাৰে নোৱাৰিলে এশবাৰে কৰা" বুলি পুনৰ ঠেলা মাৰি সুমুৱাই দিলে। মই পুনৰ ঘূৰি আহিলো। এইদৰে কেইবাৰমান ওলোৱা সোমোৱা কৰি বন্ধুবৰ্গৰ বকনি খাই খাই হোষ্টেল পালোহি। তাইক জনোৱা আৰু নহ'ল। তাই আনকি মূৰ তুলি মোলৈ এবাৰ চোৱাও নাছিল। বন্ধুও নাচোৰবান্দা। যেনে তেনে তাইক ক'বই লাগে। মই টেনশনত পৰিলো। ভাল যিহেতু ময়ে পাওঁ তাইক প্ৰপ'জটো ময়েই কৰিব লাগিব। যি হয় হ'ব কৈয়ে দিওঁ। দুদিন পিছত বন্ধুৱে ধৰি বান্ধি পুনৰ কলেজ পোৱালেগৈ। মোতকৈ যেন সিহঁতৰ উৎসাহে বেছি আছিল। সিদিনাও একো ফল নহ'ল, মাথো বন্ধুৰ গালি খোৱাই সাৰ হ'ল।

ইফালে দিন যোৱাৰ লগে লগে তাইৰ প্ৰেমত মই বেয়াকৈ পৰি গ'লো। এদিন নেদেখিলে মন উচপিচাই থাকে। এদিন নেদেখিলে মন কৰে উচাটন, দেখিলে পৰাণ জুৰায়।" আমাৰ দোকানে-বজাৰে পিলপিলাই থকা হোষ্টেল বৰ্ডাৰে য'তে দেখক লগে লগে মোক ইনফৰ্ম কৰি দিয়ে। মইও সকলো কাম পেলাই থৈ দৌৰি যাওঁ তাইক চাবলৈ। দূৰৰ পৰাই চাই থাকো। দিনে দিনে যেন তাই আৰু বেছি ধুনীয়াজনী হৈ পৰিছে। মই আৰু ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলো। তাইৰ বান্ধৱী এজনীৰ পৰা একেবাৰে ডকাইতি কৰাৰ দৰে তাইৰ নম্বৰটো ল'লো। নম্বৰটো লৈও বিপাণ্ডত পৰিলো। ফোন কৰাতো কৰো কেনেকৈ। তাই বা কি ভাবে ইত্যাদি। এদিনাখন সন্ধিয়া সাহ কৰি নম্বৰটো ডায়েল কৰিলো। কিছুসময় ৰিং কৰাৰ পিছত তাই ৰিচিভ কৰিলে। মই অৱশ্যে তাইয়ে ৰিচিভ কৰা বুলি ধৰি ল'লো। কাৰণ ইয়াৰ আগতে মই কেতিয়াও তাইৰ মাতটো শুনা নাছিলো। যি হওঁক তাই "কোন" বুলি সোধাত মই বিবুধিত পৰিলো। কি বুলিনো কওঁ। তাইতো মোক চিনিকেই নাপায়। অৱশেষত সাহস কৰি ক'লো, "মোৰ নামটো জানিব নালাগে দিয়া। চিনিয়ে নাপাবা, কিন্তু মই তোমাক চিনি পাওঁ। বাৰু তোমাৰ পৰীক্ষা কেতিয়াৰ পৰা, পঢ়া-শুনা কেনে চলিছে ইত্যাদি। তাইও ভালদৰেই উত্তৰ দি ক'লে, "চাওঁক, আপোনাক মই চিনি নাপাওঁ। গতিকে মোক ফোন নকৰিব।"

ইয়াৰ পিছত কিছুদিন তাইক দেখা পোৱাও নাছিলো ফোনো কৰা নাছিলো। এদিন তাইৰ পৰীক্ষা হোৱা বুলি গম পাই খবৰ ল'বলৈ ফোন কৰিলো।

কিয়নো তেতিয়ালৈকে তাই মোক দেখাই নাছিল। কথাৰ পতাৰ পাছত এটা কথা মন কৰিলো যে মোৰ লগত কথা পাতি তাইৰ বেয়া লগা যেন নালাগিল। এইদৰে আমাৰ মাজত নিয়মিতভাৱে কেইদিনমান কথা হ'ল। এইবাৰ মোৰ অবাক হোৱাৰ পাল পৰিল। তাইৰ মুখত মোৰ নামটো শুনি চক্ খাই উঠিলো। তাৰ মানে তাই মোৰ নাম-ঠিকনা সকলো জানে। মই কোন তাই গম পাইছে। অৱশ্যে চেহেৰাটো দেখা নাই। মনত বল পাই এদিন ৰাতি কথা পাতি থাকোতে কওঁ-নকওঁকৈ তাইক ভালপাওঁ বুলি কৈ দিলো। শুনি তাই একেবাৰে নিশ্চুপ হৈ পৰিল। মোৰো ভয় লাগিল। অৱশেষত ফুটাই ক'লো "লাগিলে সময় লোৱা। কিন্তু না নকৰিবা প্লিজ। ইফালে উত্তৰৰ আশাত বাট চাই দিন নাযায়, ৰাতি নুপুৱায় অৱস্থা হ'ল মোৰ। দ্বিতীয় দিনাই উত্তৰ আহিল, মোৰ ভালপোৱাক তাই আদৰি লৈছে। মই যেন আনন্দতে মৰি যাম। দৌৰিলো বন্ধুৰ কাষলৈ। একেটা উশাহতে গোটেইখিনি বিৱৰি কোৱাৰ পিছতো বন্ধুৰ মুখত মই আশা কৰা ধৰণে একো আশ্চৰ্য ভাৱ প্ৰকাশ নাপালে। অৰ্থাৎ মোৰ কথাত কোনেও পতিয়ন যোৱা নাই। কোনেও বিশ্বাসেই কৰিব পৰা নাছিল। কাৰণ তাইৰ দৰে ছোৱালী এজনীয়ে ইমান সোনকালে মান্তি হ'ব বুলি কোনেও ভবা নাছিল। আনকি ময়ো ভবা নাছিলো। তাৰমানে তাইও মনে মনে মোক ভাল পায়। ইচ্ এই কথাটো ক'বলৈ মই কিয় ইমান সময় ল'লো। দুদিনমান আগতে ক'লে হয়তো আৰু ভাল লাগিলে হেতেন। পিছত অৱশ্যে বন্ধুহঁতে আচল কথাটো গম পাই পাৰ্টি পাৰ্টি কৰি কাণ ঘোলা কৰি দিছিল। সকলো ঠিকে ঠাকে হৈ যোৱাৰ পিছতো এটা সমস্যাৰ উত্তৰ হ'ল। তাই মোক চিনিয়ে নাপায়। এটা কথা ভাবি আচৰিত লাগে তাই মোক নেদেখাকৈ কিদৰে ভালপাব পাৰে। আৰু মোতকৈ তাইহে বেছি ছিৰিয়াছ আছিল। নিজে মাতে মোক চাবলৈ। আৰু পিছ মুহূৰ্ততে মানা কৰি দিয়ে। হয়তো লাজত, হয়তো কিবা সংকোচত। পৰীক্ষা আৰম্ভ হোৱাৰ আগতে মই গ'লো। ওচৰলৈ যোৱাত তাই লাজতে তলমূৰ কৰিলে। মূৰ দাঙিয়ে নাচালে তাইৰ প্ৰিয় মানুহজনক। অৱশ্যে মোৰ লগত সহজ হ'বলৈ বেছিদিন নালাগিল তাইৰ। মই যেন সুখ-সাগৰত ওপঙি ফুৰিছিলো সেই দিনবোৰত। দিনে দিনে গভীৰৰ পৰা গভীৰতম হৈছিল আমাৰ প্ৰেম। ইয়াৰ মাজতে বহুতো ঘাত-প্ৰতিঘাত, ধুমুহা-বতাহ পাৰ হৈ গ'ল। কিন্তু আমাৰ ভালপোৱাৰ এনাজৰীডালক লৰচৰ কৰিবকে নোৱাৰিলে। প্ৰসংগক্ৰমে এটা কথা ক'ব খুজিছো। যিমানেই ডাঙৰ ধুমুহা নাহক কিয়, বিশ্বাসৰ ভেটিটো সদায় মজবুত কৰি ধৰি ৰাখিব লাগে। কিয়নো এই বিশ্বাসৰ ভেটিতে প্ৰেমে ঠন ধৰি উঠি ফলে-ফুলে জাতিস্কাৰ হৈ উঠে। চাৰিবছৰীয়া আমাৰ প্ৰেমে নিগাজী ৰূপ পালেহি। আৰু সেই সপোনৰ নাৰীগৰাকী বৰ্তমান মোৰ জীৱনৰ লগৰী, সুখ-দুখৰ সহচৰ, মোৰ সকলো, প্ৰিয়তমা পত্নী নীলাঞ্জনা দত্ত চক্ৰৱৰ্তী। দুয়োখন ঘৰে আমাৰ প্ৰেমক আদৰি লৈছে। বৰ্তমান আমি দুয়োজনে খুব সুখী আৰু এই সুবাসিত জীৱনটোক আৰু সুবাস ভৰা কৰি তুলিবলৈ প্ৰয়াস কৰিছো।

# জয়ৰ যাত্ৰা

**মুনমি নাথ**
*স্নাতক তৃতীয় যাণ্মাষিক*

ঘড়ীৰ কটা টোৱে টং টং..... কৰি 'ন' বজাৰ সংকেট দিলে। তাথাপিও বিচনাৰ পৰা আজি উঠিৰ মন যোৱা নাই অনামিকাৰ। অন্যদিন তাই ৫ বজাতে বিছ্নাৰ পৰা উঠে। অবশ্যে আজিৰ কথাটো সুকীয়া। আজিৰ দিনটো তাইৰ বাবে জীৱনৰ চিৰস্মৰণীয় দিন। তাই বিছ্নাত শুই, শুই যে কাযৰ দ্ৰয়াৰত থকা ফটো এখন উলিয়াই ল'লে। ফটো খন চাই চাই তাই নিজক নিজে কৈ উঠিল...'মা'। তই আজি থকা হ'লে কম আনন্দ কৰিলি হৈ নে! তই বাৰু মোক চুমাৰে উপচাই দিলি হৈ, নে আনন্দতে চকুলো টুকিলি হৈ"। বৰ মনত পাৰিছে মা তোলৈ!! তই জাননে মই এজনী নাৰীক তাইৰ অধিকাৰ সাৰস্ত্য কৰাৰ সুবিধা দিছো। মই তাইক ন্যায় দিছো মা!! মোৰ দৰে অৱস্থা তাইৰ হ'ব দিয়া নাই। তাই ন্যায় পাইছে, জীৱনত আগবাঢ়ি যোৱাৰ নতুন সুযোগ পাইছে। মই বহুত সুখী। মোৰ সাধনা আজি সফল হোৱা যেন লাগিছে। মই সফল হ'লো মাঁ, সফল। অতীতৰ কথাবোৰ আজি অনামিকাৰ স্পষ্ট ভাৱে মনত পৰি আছে.....।

অনামিকা এজনী দুখীয়া ঘৰৰ ছোৱালী আছিল। সৰুতে মাক ঢুকোৱাৰ বাবে তাইক দেউতাকে অতি কম বয়সত বিয়া দি উলিয়াই দিয়ে। দেউতাকে ভাবিছিল বোজা শেষ। কিন্তু বিবাহ, কি বস্তু ভালদৰে অৰ্থ নুবুজা অৱস্থাত বিয়া হোৱা অনামিকাই শহুৰৰ ঘৰত যৌতুকৰ বাবে লাভ কৰে বহুত অমানবীয় অত্যাচাৰ। তাইক মাৰ-পিট কৰি মৃত প্ৰায় অৱস্থাত এদিন পিতৃ ঘৰত এৰি গৈছিল স্বামীয়ে। দাবী ৫০,০০০ টকা। অভাবী দেউতাকে কৰ পৰা দিয়ে ইমান টকা। তাই বহুত কিবা কিবি বুজি নুবুজা অৱস্থাত বহুত কিবা কিবা শিকিলে নিজৰ জীৱনৰ পৰা।

তাই ভাবিলে! মই পঢ়িম, যিখিনি শিকিব নোৱাৰিলো সেই খিনি শিকিম। তাই কঠোৰ সংগ্ৰাম আৰু অভাৱ অনাটনৰ মাজেৰে হলেও বিবাহৰ দহটা বছৰৰ পিছত এল এল বি পাছ কৰিলে।

তাইৰ উদ্দেশ্য সমাজৰ আন-আন মহিলা সকলক ন্যায় প্ৰদান কৰা। আজি তাই নিজৰ উদ্দেশ্যত সফল। তাই এজনী নাৰীক ন্যায় প্ৰদান কৰিছে। তাইৰ কষ্ট সফল হৈছে।

তাই বুজি নাপায় অত্যাচাৰ সমূহ কেৱল নাৰীৰ ওপৰতে কিয় হয়— কেতিয়াবা যৌতুকৰ বাবে কন্যা সন্তানৰ ভ্ৰুণ হত্যা কৰা। এই আধুনিক সমাজত এতিয়াও নাৰীৰ স্থান পুতৌ লগা কিয়? নাই! নাৰীক সজাগ কৰিবৰ হ'ল...তাই আগভাগ লব এই কামত...।

টিং টিং এনেতে ফোনটো ৰিং কৰাত তাইৰ তন্দ্ৰা ভাঙিল... হেল্লোঃ অ! কোন... বাইদেউ আমি মহিলা সমিতিৰ ফালৰ পৰা কৈছিলো। আমি অহাকালি আপোনাৰ সাক্ষাৎকাৰ লোৱাৰ বাবে তথা মহিলা সকলক উৎসাহ দিয়াৰ বাবে সভা এখন পাতিম। তাত আপোনাৰ উপস্থিতি কমনা কৰিছো।

ঃ এইটো বৰ ভাল কথা মই নিশ্চয় উপস্থিত থাকিম।

ঃ ৰাখিছো বাইদেউ!

ঃ ভাল!

অনামিকাই ভাবিলে নাই নুঠো এতিয়া। মোৰ যাত্ৰ শেষ হোৱা নাই...মোৰ কাম শেষ হোৱা নাই...আৰু বহুত কাম আছে...। জীৱনৰ শেষলৈকে মই নাৰীৰ বাবে যুজিম....নাৰীৰ ন্যায়ৰ বাবে অধিকাৰৰ বাবে.....।।

মোৰ যাত্ৰা আৰম্ভ হৈছে "মই জয়ী হ'ম"।

# আমি মানুহ নহয়নে?

**ফিৰোজ চামিম আহমেদ**
*স্নাতক দ্বিতীয় যাণ্মাষিক (বিজ্ঞান)*

মানুহে আজি সভ্যতাৰ চৰম সীমাত ভৰি দিছে বুলি ক'লে নিশ্চয় ভুল কৰা নহ'বনে। এই পৃথিৱীত মানুহৰ অস্তিত্বৰ একমাত্ৰ কাৰণ হ'ল মানুহৰ চিন্তা কৰিবলৈ এটা ডাঙৰ মগজু, যাৰ ফলত আজি মানুহে উৰাজাহাজেৰে আকাশত বাধাহীনভাৱে উৰিছে কম্পিউটাৰেৰে পৃথিৱীৰ যিকোনো কোনৰ পৰা ইন্টাৰনেট যোগে বাৰ্তালাপ কৰিছে, মানুহে বিজ্ঞানৰ দিশে ভালেখিনি আগুৱাই গ'ল কিন্তু সভ্যতাৰ দিশে কিমানখিনি আগবাঢ়িল আপুনি এবাৰ চিন্তা কৰি চাইছেনে? দেশত দিনক দিনে বলাৎকাৰৰ ঘটনা বাঢ়িছে, নাৰীৰ ওপৰত চলা অপৰাধ বাঢ়িছে, যৌতুকৰ বাবে বোৱাৰী হত্যা বৃদ্ধি পাইছে কিন্তু কিয়; এইবোৰ বাধা দিবলৈ ভাৰতৰ দৰে এখন বিশাল গণৰাজ্যত কোনো নাই নেকি, আমি সকলোৰে নিৰৱ নেকি কিন্তু কিয়; কাৰণ আমাৰ তেজ সম্পূৰ্ণৰূপে দূষিত হৈছে। আপোনাৰ মনত প্ৰশ্ন নাহেনে যে তেজ কেনেকৈ দূষিত হ'বলৈ পালে, দেশৰ ৰাজনীতিত চৰম বিপৰ্যয় ব্যৰ্থতা ইয়াৰ জ্বলন্ত উদাহৰণ। আজি ৰাতিপুৱাৰ বাতৰি কাকতটো পঢ়ি বেয়া লাগিল কাৰণ তাত লিখিছিল যে কোনোবা কেন্দ্ৰীয় মন্ত্ৰীয়ে শাৰীৰিকভাৱে অক্ষম ব্যক্তিৰ বাবে আবণ্টিত ধন আত্মসাৎ কৰিলে কিন্তু কোনেও ইয়াৰ গমে ধৰিব নোৱাৰিলে। আৰু সাংবাদিকে এই বিষয়ত মন্ত্ৰীজনাক প্ৰশ্ন কৰাত সকলো অবান্তৰ কৰা বা মিছা কথা বুলি মন্তব্য কৰিলে, এই সকলোবোৰ হোৱাৰ পিছত তেওঁক সন্মানেৰেই ঘৰলৈ উভতাই আনিলে। সাধাৰণ মানুহে একো নক'লে, কিন্তু কিয় নক'লে আপোনাৰ মনত প্ৰশ্ন নহয়নে; কাৰণ এই বিশাল ভাৰত গণৰাজ্যত সাধাৰণ মানুহো দুৰ্নীতিৰ সৈতে জড়িত। এই দোষ সাধাৰণ মানুহৰ দুৰ্নীতিৰ লগত মধুৰ সম্পৰ্ক আছে কাৰণ আজিৰ পৰা বিগত ৫০ টা বছৰ সকলোৰে দুৰ্নীতিৰ মাজতে ডাঙৰ দীঘল হ'বলগীয়া হৈছে। দেশৰ দুৰ্নীতিৰ বাবেই আজি দেশত নাৰী নিৰ্যাতন, বলাৎকাৰ, বোৱাৰী হত্যাৰ দৰে ঘটনা ঘটিছে কাৰণ দোষীয়ে জানে যে আমি দোষ কৰি অলপ টকা অফিচাৰ উকিলক খুৱালে বাচি যাম বা দেশত গ'লেও প্ৰভাৱশালী ব্যক্তিৰ পুত্ৰ জেলত ভি.ভি.আই.পি (VVIP) ৰ দৰে থাকিম। দেশৰ পাৰ্লিয়ামেণ্টত বহা সকলোকেইজন নেতা ভ্ৰষ্টাচাৰী, তাত সাধাৰণ দেশৰ নাগৰিকৰ হকে কাম চলা নাই তাত চলিছে কেৱল অভিলাসী মানুহক অৰ্থাৎ দেশৰ ৮০% নাগৰিকক বাদ দি ২০% নাগৰিকক বৃত্তৱান কৰি তোলাৰ প্ৰকল্প। বৃত্তবান আৰু বৃত্তবান হৈছে আৰু দুখীয়া আৰু দুখীয়া হৈছে। দেশৰ চৰকাৰে দেশৰ সাধাৰণ দুখীয়া জনতাৰ ওপৰত মাৰধৰ কৰি নিজে ধনী হৈছে। ভাৰত কৃষিপ্ৰধান দেশ, এই দেশৰ চৰকাৰে কৃষিৰ নামত বহুত টকা আবণ্টন দিছে কিন্তু কৃষকে আত্মহত্যা কৰিছে কিয়, ইয়াৰ একমাত্ৰ কাৰণ চৰকাৰৰ দ্বাৰা আবণ্টিত টকা কৃষকে পোৱা নাই পাইছে চৰকাৰ আৰু কৃষকৰ

মাজত থকা মানুহখিনিয়ে। কৃষকে সিহঁতৰ মূৰৰ ঘাম মাটিত পেলাই উৎপাদিত শস্যৰ সঠিক মূল্য পোৱা নাই তাৰ পৰিৱৰ্তে এই মূল্য পাইছে কাম বন নকৰা দালাল বা বেপাৰীয়ে। চৰকাৰ নীৰৱ কিয়? চৰকাৰৰ সকলোবোৰ কথা জ্ঞাত কিন্তু ব্যৱস্থা গ্ৰহণ নকৰে কিয়? ইয়াৰ মূল কাৰণ দুৰ্নীতি ব্যৱস্থা যাতে সিহঁতে দালালৰ পৰা কমিচন নাপাব।

চৰকাৰী বিলত টকা থিকেই খৰচ কৰা দেখুৱাইছে আচলতে তাৰে ১০% কাম কৰি বা তাতোকৈয়ো কম কাম কৰি বাকী ৯০% টকা এম.এল.এ, মিনিষ্টাৰ তথা অফিচাৰ কেৰাণীয়ে পকেট ভাৰী কৰিছে। এই দেশত দুখীয়াৰ জীয়াই থাকিবৰ অধিকাৰ নাইনে, সিঁহতৰ ঘৰত খাবলৈ এসাজ ভাত নাই, থাকিবৰ ব্যৱস্থা নাই, পিন্ধিবৰ বাবে কাপোৰ নাই, ভাল শিক্ষা নাই, চিকিৎসা পোৱা নাই, সকলোৱে অপৰিপুষ্টিত ভুগি মৃত্যুমুখত পৰিছে। এই আধুনিক পৃথিৱীত সিহঁতৰ জীয়াই থাকিবৰ মন নাযায়নে কি দুখ, কি কষ্ট, কি বেদনা, আপুনি এবাৰ চিন্তা কৰি চাইছেনে। আমাৰ সমাজত সেইসকল মানুহৰহে দাম আছে যিসকলে পাইছে আধুনিকতাৰ সোৱাদ, পাইছে ভাল খাদ্য, বাসস্থান, বস্ত্ৰ, শিক্ষা আৰু চিকিৎসা। আমি নেতা মন্ত্ৰীয়ে দুখীয়াৰ হকে কিবা কৰাৰ প্ৰতিশ্ৰুতি দি জিকাৰ পাছত সিহঁতৰে মাৰধৰ কৰিছো কাৰণ আমি জানো সিহঁতে একো কৰিব নোৱাৰে কোনো অফিচাৰ বা উকিলক টকা খুৱাব নোৱাৰে, সিহঁত অক্ষম। আমি দুখীয়াৰ লগত এনে ব্যৱহাৰ কিয় কৰো আমাৰ মানসিকতা নাইনে? আমি এই পৃথিৱীত কিমান দিন থাকিম জীয়াই, খুব বেছি ৭০-৮০ বছৰ। তাৰ পাছত গুছি যাব লাগিব অনন্ত কাললৈ। আমি তেতিয়াহ'লে দুষ্কাৰ্যৰ বোজা মূৰত লৈ কিয় যাম? কিবা সমাজৰ ভাল কৰিয়েই যাম। টকা সম্পত্তিয়ে মানুহক ভাল বুলি প্ৰমাণিত নকৰে, টকা সম্পত্তি পৃথিৱীতে থাকি যাব আমি এইবোৰ পৰকাললৈ বুলি ল'ব নোৱাৰিম। আমি ভাল কাম কৰিব খোজো কিন্তু কেনেকৈ কৰিম? আমি সহায়হীন দুৰ্ভগীয়া, অসমীয়াত এষাৰ কথা আছে "এপাচী শাকত এটা জালুক" তেনেদৰে আমাৰ সমাজখন বেইমানেৰে ভৰা তাৰ মাজত এজন ভাল মানুহ থাকিলে তাক বা তেখেতক বলপূৰ্বকভাৱে দমন কৰি দিয়া হয়। কি হ'ব তেওঁলোকৰ কথা শুনি; আমি দুখীয়াৰ বাবে কিবা কৰিবহে বিচাৰিছো, আমিতো কোনো বেয়া কাম কৰিব বিচৰা নাই তাৰ বাবে আমাৰ প্ৰাণেই বিসৰ্জন দিব নালাগক কিয় আমি আগুৱাই যাম। আমি এই পৃথিৱীৰ কেইদিনমানৰ আলহীহে। এনেদৰে ভাৰত গণতন্ত্ৰ চলি থাকিলে দেশত দুৰ্ভিক্ষ হোৱালৈ আৰু বেছি পলম নালাগে। ১০ বছৰে অপেক্ষা কৰক নিজ চকুৰে দেখিবলৈ পাব। আহক আমি সকলোৱে প্ৰতিজ্ঞাবদ্ধ হওঁ যে আমি ডাঙৰ হৈ ভাৰতৰ অগ্ৰগতিৰ বাবে কাম কৰিম। ধন্যবাদ।

# আলোচনীৰ লিখনি

**চাবানা আজমী**
*স্নাতক পঞ্চম ষাণ্মাষিক*

পঢ়া টেবুলখনত বহি কলমটো কামুৰি কামুৰি কিবা এটা ভাবি আছো। সন্মুখত এখন বহি। কলেজৰ আলোচনীত কিবা এটা লিখনি দিম বুলি ভাবিছো। কোনোদিনেই কোনো এটা লিখা নাই। ত্ৰিলোচনে দুদিনমানৰ পৰা চিঞৰিয়ে আছে। কিবা এটা লিখিবলৈ। কাইলৈ ৰাতিপুৱা কলেজত খোজ পেলালেই সুধিব, "কিবা লিখিলানে?" মই নো কি ক'ম। মোৰোতো এটা সন্মানৰ কথা আছে। কিন্তু লিখিমনো কি? এবাৰ ভাবিলো, মহিলাৰ দুখ কষ্টৰ ওপৰতে এটা গল্প লিখো। এগৰাকী মহিলাই বিয়াৰ পিছত স্বামীৰ অত্যাচাৰ সহিব নোৱাৰি, ঘৰৰ পৰা ওলাই যায় আৰু বৰ দুখ কষ্টৰে ল'ৰা-ছোৱালী কেইটাক পোহপাল দিয়ে। কিন্তু হঠাৎ মনলৈ আহিল, এনেধৰণৰ কাহিনী আগতেই আন ক'ৰবাত পঢ়িছো নেকি? হয়তো, বেবী হালদাৰৰ 'আলো-আঁধাৰিৰ' উপন্যাসখনচোন এনেকুৱাই। কিনো লিখো। এই মস্ত দিমাগটোত একোৱে এটা নাইনে? মূৰটো গৰম হৈ গ'ল। ভাবিলো, চাহ একাপ খাই লওঁ। কিজানি মূৰটো ঠাণ্ডা হোৱাৰ পিছত কিবা এটা মনলৈ আহে। মাক চিঞৰি ক'লো, 'মা, একাপ চাহ দিয়াচোন। মায়ে বৰ ক্ৰুদ্ধ সুৰেৰে উত্তৰ দিলে, "এই দুপৰীয়াখন চাহ-টাহ নাই। ভাত সাজি দিওঁ। আহি খা-হি। খং উঠি গ'ল, যা। একোৱে নিলিখো। ভাত কেইটা খাই ল'লো। টি.ভি. অন কৰি ছিৰিয়েল এখন চালো। হঠাৎ আকৌ নিজৰ ৰুমলৈ আহি মোবাইলটো হাতত লৈ আৰিফালৈ ফোন কৰিলো। তাইক ক'লো, "কিবা এটা আইডিয়া দে চোন। কলেজৰ আলোচনীত দিব লাগে।" তাই ক'লে, মোৰ ইয়ালৈ আহ্। মোৰ এটা গল্প লিখা আছে, সেইটোকে দিবি।" আবেলি চাৰিটা বজাত সিহঁতৰ তালৈ গ'লো। অলপ কথা-বতৰা পাতি গল্পটো হাতত লৈ আহি থাকোতে, বাটত ত্ৰিলোচনক লগ পালো। সি মোক আকৌ সুধিলে, আলোচনীৰ লিখনিটো লিখিলানে? মই চুটিকৈ উত্তৰ দিলো, নাই লিখা। আৰু তাৰ পৰা গুচি আহিলো। ঘৰত আহি টেবুলত বহি গল্পটো পঢ়িলো। বৰ দীঘলীয়া ধৰণৰ গল্প। লিখিব মন নগ'ল। এনেতে ত্ৰিলোচনৰ ফোন আহিল। ফোনটো উঠাই, হেল্ল' বুলি ক'লো। সিও মোক হায় বুলি কৈ, সুধিলে— "কিনো হ'ল, আজি লগ পাওঁতে ভালকৈ কথা নাপাতিলা যে।" মই ক'লো, "এনেই"। আৰু কিবা কিবি পঢ়া-শুনাৰ কথা পাতি

ফোনটো ৰাখি দিলো।

আকৌ ভাবিব ধৰিছো, কিনো লিখা যায়? কবিতা লিখো নেকি? কিন্তু মায়ে কোৱা শুনিছিলো, কবিতা নিশব্দ নিৰ্জন ঠাইতহে লিখিব লাগে। ৰোমাঞ্চিত ভাৱে লিখিব লাগে। কিন্তু মইতো এনে নিৰ্জন ঠাইত দহ মিনিট বহিবও নোৱাৰিম আৰু মই ইমান ৰোমাণ্টিকো নহয় যে কাৰোবাৰ সৌন্দৰ্যক মই কবিতা হিচাপে ব্যাখ্যা কৰিব পাৰিম।

কবিতাৰ আশাও বাদ দিলো। মুঠতে একো এটাই নিলিখো। "বাদ দে এইবোৰ। মোৰ নিচিনা মানুহৰ দ্বাৰাই এইবোৰ নহ'ব।" মায়ে পিছ ফালৰ পৰা মাত দিছে, 'কিনো বলকিছ এইবোৰ, ভাত দিছো আহ।' ঘড়ীটোৰ ফালে চালো, ঘড়ীটোৱে যেন দহটা বজাৰ সংকেতটো দিবলৈ সাজু। উঠি গৈ ভাত কেইটা খালো। মূৰটো খুব বিষাইছিল। মূৰত অলপ তেল সানি শুই থাকিলো। কম সময়তে টোপনি আহি গৈছিল।

পিছদিনা ৰাতিপুৱাই সাজু হৈ কলেজলৈ গ'লো। শ্ৰেণীকোঠাত সোমোৱাৰ লগে লগে ত্ৰিলোচনে হায়, গুড মৰ্ণিং বুলি সম্ভাষণ জনালে। ময়ো উত্তৰ দিলো। আকৌ মই কিবা লিখিলো নে নাই সুধিলে, মই ক'লো, ৰ'বাচোন কিনো লিখিলো। আলোচনীখন প্ৰকাশ হ'লেহে গম পাবা, লিখিলো নে নাই। সি ক'লে "কিনো পাগলৰ দৰে কথা কৈছা"। সেই সময়তে মনিষা মেম্ আহি শ্ৰেণী কোঠাত সোমল, আৰু আমি আটায়ে একো নামাতি মনে মনে ক্লাছটো কৰিলো।

# ৰহস্যৰ গৰ্ভত এটা কাহিনী ১৫ চেপ্তেম্বৰ

**ৰাহুল মোল্লা**
*স্নাতক চতুৰ্থ ষাণ্মাষিক*

সিদিনা আছিল শনিবাৰ। তাৰিখ ১৫ চেপ্তেম্বৰ, ২০১২, মোৰ জন্ম দিন। কেইমাহ মান আগৰ পৰাই মনত এটা আশা পুহি ৰাখিছিলো, এইবাৰৰ জন্মদিনটো বহুত ধুম্ধামেৰে উদ্‌যাপন কৰিম। আৰু আশা কৰা মতেই কেইদিনমান আগৰ পৰাই প্ৰস্তুতি চলাই আহিছিলো এই দিনটো চিৰস্মৰণীয় কৰিম বুলি। আশা কৰা মতেই সকলো হ'ল।

১৫ চেপ্তেম্বৰ, মোৰ বাৰ্থডে'। দিনটো পৰিয়ালৰ সদস্যৰ স'তে আনন্দৰ মাজেৰে কটালো, আবেলি লগৰবোৰ, মোৰ বন্ধু-বান্ধৱ সকলো আহি ওলালহি। তাৰ পিছত সিহঁতৰ লগত পাৰ্টি কৰিলো, ফুৰিব গ'লো আৰু ৯ মান বজাত ৰাতি সিহঁতক ঘৰত থৈ আমি এৰা এৰি হ'লো। ৯.৩০ মানত ঘৰত এটি ভাগৰ লগা বাবে শুবলৈ মোৰ ৰুমত সোমালো। মা-দেউতা আৰু ভাইটি তেতিয়া আনটো ৰুমত টি ভি চাই আছে। তেতিয়াই বাহিৰৰ পৰা কাৰোবাৰ মাত এটা শুনা পালো—

খুড়ী, অ' খুড়ী... ঘৰত আছেনে?

আকৌ মাত লগাইছে—

ৰাহুল দা, অ' ৰাহুল দা...। ওলাই আহছোন বাহিৰলৈ।

মই বাহিৰলৈ লৰালৰিকৈ ওলাই আহিলো আৰু মা-দেউতাইও বাহিৰলৈ ওলাই আহিল।

মা- হাৰে, বৃষ্টি তুমি? ইমান ৰাতি? ক'ৰ পৰা, কেনেকৈ? (কৌতুহলেৰে সুধিছে)

মই ক'লো— মা, তাই আহিছে, তাইক আগতে ভিতৰলৈ লৈ যোৱাচোন, তাৰ পিছত ইমানবোৰ প্ৰশ্ন সুধিবা।

মা— আহা বৃষ্টি, ভিতৰলৈ আহা।

তাই ভিতৰলৈ সোমাই গ'ল আৰু মা-দেউতাৰ লগত কথা-বতৰা পতাত ব্যস্ত হৈ পৰিল, মই বাহিৰতে চকী এখন লৈ চোতালত বহিলো। তাইৰ লগৰ পুৰণি কথাবোৰ মোৰ মনত পৰিবলৈ ধৰিলে। তাই সৰু কালৰ পৰাই মোৰ বহুত ভাল বান্ধৱী আছিল। তাইৰ ঘৰটো আমাৰ গাঁওতে আছিল। দেউতাক এজন বহু খ্যাতিসম্পন্ন ব্যৱসায়ী আছিল। তেখেত বহুত কঠোৰ স্বভাৱৰ লোক আছিল। মোৰ এতিয়াও মনত আছে তাইৰ লগৰ সৰুকালৰ কথাবোৰ। সদায় একেলগে স্কুললৈ অহা-যোৱা কৰা, একেলগে খেলা-ধূলা কৰা ইত্যাদি। বাৰীৰ পাছফালে থকা গছবোৰৰ পৰা আম, লিচু, বগৰী কত যে পাৰি খাইছিলো। লুকাভাকু খেলিছিলো, তাহাঁতৰ পুখুৰীত কত মাছ মাৰিছিলো, এইবোৰ কথাই মোৰ মনত আহি ছানি ধৰিছিলহি।

আজি তাই ডাঙৰ হৈ ইমান ধুনীয়া হৈ পৰিছেহি, এতিয়া আৰু তাইক আগৰ সেই ক'লী আপী, ধেপেচী বুলি জোকাব নোৱাৰি। সঁচাকৈয়ে তাই গুৱাহাটীলৈ গুচি গৈ বহুত সলনি হ'ল। একেবাৰে আধুনিক ছোৱালী। বহু দিনৰ মূৰত তাইক দেখা পাই বৰ ভাল লাগিল। কেতিয়াও সপোনতো ভবা নাছিলো যে তাই

আকৌ কেতিয়াবা ইয়ালৈ ঘূৰি আহিব। সামান্য এটা ঘটনাৰ বাবে বাপেকে টকাৰ মোহত গোটেই মাটি-বাৰী বেছি থৈ একেবাৰে গুচি গ'ল। তেতিয়াৰ দৰে এতিয়াও মই তাইক বহুত মনত কৰোঁ। তাইক ছাগে মই বহুত ভাল পাইছিলো। কিন্তু তাই মোৰ এজনী ভাল বান্ধৱীহে আছিল মাথো। তাই গুচি যোৱাৰ ঘটনাটো এতিয়াও মোৰ মনত সদায় ভাহে—

তেতিয়া আমি অষ্টম শ্ৰেণীত পঢ়ো। মই তাইক মনে মনে ভাল পাইছিলো, কিন্তু ক'ব পৰা নাছিলো। আমি তেতিয়া সদায় স্কুললৈ চাইকেলেৰে অহা-যোৱা কৰো আৰু সদায় এটা ল'ৰাই বৃষ্টিক পিছা কৰে। কথাটো মোৰ ভাল লগা নাছিল। কিন্তু বৃষ্টিয়ে অকনো বেয়া পোৱা নাছিল। তাইয়ো ল'ৰাজনক সহানুভূতিৰ দৃষ্টিৰে চাইছিল। তাই ল'ৰাজনক ভাল পাবলৈ আৰম্ভ কৰিছিল আৰু ভাবিছিল দেউতাকে পেপাৰ মিল এটাৰ মালিক গতিকে ল'ৰাটোক দেউতাকে ভাল কাম এটাত লগাই দিব।

এনেকৈ ল'ৰাটোৱে বৃষ্টিক আৰু বৃষ্টিয়ে ল'ৰাটোক ভাল পাবলৈ ধৰিলে। মই কথাটো মনত দমাব নোৱাৰিলো। এদিন বৃষ্টিয়ে ল'ৰাজনলৈ বুলি লিখা চিঠিখন মোৰ হাততে দিলে তাক দিবলৈ। মই কথামতে কামটো নকৰি বিপৰীত এটাহে কৰিলো। মই চিঠিখন লৈ তাইৰ দেউতাকৰ ৰুমতহে পেলাই থ'লো। দেউতাকে চিঠিখন পাই তেখেতৰ খঙে চুলিৰ আগ পালেগৈ। দেউতাকজন ইমান ডাঙৰ ব্যৱসায়ি এটা হৈ তেওঁৰ ছোৱালীয়ে সাধাৰণ দৰিদ্ৰ ঘৰৰ ল'ৰা এটাক ভালপোৱা কথাটো সহ্য কৰিব নোৱাৰিলে। কেনেবাকৈ বৃষ্টিৰ বছৰেকীয়া পৰীক্ষাটোলৈ বাট চাই পৰীক্ষা শেষ হোৱাৰ পিছত দেউতাকে এদিন সপৰিয়ালে গুৱাহাটীলৈ গুচি গ'ল। মই তেখেতসকলৰ গুৱাহাটীৰ একো ঠিকনা বা ফোন নম্বৰ একো ল'ব নোৱাৰিলো। মনতে ভাবি ল'লো তাই চিৰদিনৰ বাবে গুচি গ'ল!

তেনেতে তাই বাহিৰলৈ আহি মোক মাত লগালে— "ঐ, কি হ'ল? ভেবা লাগি আকাশৰ পিনে চাই আছা যে মই অহা বাবে হবলা বেয়াই পালি ন?"

মই ক'লো— ধেৎ পাগলী, নহয় অ'। মইনো আকৌ কিয় বেয়া পাম।

মই তাইৰ ঘৰৰ কথা সুধিলো—

"মা-দেউতা হেনো ভালেই আছে, ভাইটিও মেট্ৰিক ভালকৈয়ে পাছ কৰিলে"— তাই ক'লে।

তাই আকৌ ক'ব ধৰিলে— মই কেনেকৈ যে তহঁতৰ ঘৰ আহি পালোহি জানা? মই আৰু একমাত্ৰ ঈশ্বৰে হে জানে।

মই কৌতুহলেৰে সুধিলো— কিয়, কি হৈছিলনো?

তাই ক'ব ধৰিলে—

'জানা ৰাহুল, মই দুপৰীয়াৰ ট্ৰেইনতে উঠিছো, আবেলি ৪ মান বজাত গোৱালপাৰা ষ্টেচন আহি পালোহি। আহি গম পাওঁ যে আজি হেনো গোৱালপাৰা বন্ধ। গাড়ী মটৰটো নাই নাইয়েই, বাটত এটা মানুহো নাই। খোজকাঢ়ি পেহীহঁতৰ ঘৰত গৈ পালোহি নহয়। গম পাওঁ যে পেহীহঁত ঘৰত নাই। আলহী খাবলৈ গৈছে। আজি তিনিদিন হ'ল।

তাৰ পৰা আৰু নক'বা, খোজকাঢ়ি খোজকাঢ়ি আহি তোমালোকৰ ঘৰ পালোহি। এই ৰাতিখনত আহোতে যে আকৌ কিমানবাৰ ৰাস্তা ভুল কৰিলো, ইমান ভয় খাইছিলো পাই। একেবাৰে সৌপিনে গৈ পাহাৰখনৰ সিপাৰে গৈ পালো নহয়, শ্মশানখনৰ সেইখিনিত ইমান ভয় খাইছিলো নহয়। তাতে আকৌ কুকুৰবোৰেও ইমানকৈ ভুকি আছিল ৰাতিৰ অন্ধকাৰত। মোৰ জীউটো একেবাৰে হাতত আহি গৈছিল জানা? কিন্তু ঈশ্বৰৰ কৃপাত তাত ৰবীনদাক লগ পাই গ'লো। ৰবীনক চিনি পাইছা নহয়, সেই যে মই ভালপোৱা ল'ৰাটো। সি দেখিবলৈ বৰ ধুনীয়া হৈছে নো? সিয়ে মোক তোমালোকৰ ঘৰটো দেখাই দি গ'ল। নহ'লে আকৌ ক'ৰ পৰা ক'ত গৈ পালোহেঁতেন। তাৰ লগত বহুত সময় কথা পাতিলো, সেয়ে আৰু অলপ পলম হ'ল। কিন্তু তাক লগ পাই মোৰ বহুত ভাল লাগিল। সি মোক গোটেইখিনি ক'লে যে তোমাৰ বাবেয়ে আমি

আজি দূৰত থাকিবলগীয়া হৈছে।

তাইৰ কথাটো শুনি অলপ মই ভয় খালো, কাৰণ তাই গম পাই গ'ল ময়ে চিঠিখন দেউতাকৰ হাতত পেলাইছিলো। কিন্তু ভয়তকৈ বেছি মই আচৰিতহে হ'লো। গাত এটা শিহৰণ উঠি গ'ল— তাইৰ কথা শুনি মই তাইক ভালকৈ সুধিলো— "তই ভালকৈ দেখিছনে, সেইজন কোন আছিল।

তাই ক'লে আৰে বাবা সিয়ে আছিল ৰবীন। মই তাক চিনি পাওঁতে কেতিয়াবা ভুল হ'ম নে? সিটো মোৰেই এটা অংগ আৰু মই নো তাক কেনেকৈ নিচিনিম।

মই আচৰিত হ'লো যদিও তাইক কথা এটা নক'লো যে ৰবীন পথ দুৰ্ঘটনা এটাত ঢুকোৱা আজি দুমাহ মানেই হ'ল। তাই ছাগে তেতিয়াই মূৰ্চা খাই পৰি গ'লহেঁতেন।

মই কথাটো তাইৰ পৰা লুকালো যদিও গোটেই ৰাতি শুব নোৱাৰিলো। কথাটোৱে বাৰে বাৰে মোৰ মনত খুন্দিয়াই আছিল। মৰা মানুহ এজনে বাৰু কেনেকৈ তাইক বাট দেখুৱাই দিব পাৰে। ৰাতিটো তাই থাকি পিছদিনা পুৱাই ঘৰলৈ বুলি ৰাওনা হ'ল। মই হতবাক হৈয়ে থাকিলো। কি আচৰিত ঘটনা এয়া।

মই কথাটো পিছদিনা লগৰবোৰক ক'লো যদিও কোনেও কথাটো বিশ্বাসত নল'লে। সকলোৱে মই সিহঁতক বুৰ্বক বনোৱা বুলি ভাবি হাঁহি কথাটো উৰাই দিলে। তথাপি মই কথাটোত মূৰ মাৰি থাকিলো। এনেকৈয়ে তিনি চাৰিদিনমান পাৰ হৈ গ'ল। তাৰ পিছত হঠাৎ এদিন তাইৰ পেহীৰ ল'ৰাটোক লগ পাই কথাটো ক'লো।

সি হতবাক হৈ পৰিল আৰু মই তাতকৈ দুগুন বেছিহে হতবাক হৈ পৰিলো। সি মোক ক'লে— এইটো কেনেকৈ সম্ভৱ হ'ব পাৰে। একেবাৰে আচৰিত। বৃষ্টিতো ৰবীন মৰাৰ দুদিন পিছতে খবৰটো শুনি নদীত জাঁপ দি আত্মহত্যা কৰিলে।

সঁচাকৈয়ে এই ১৫ চেপ্তেম্বৰটো মই কেতিয়াও পাহৰিব নোৱাৰিম। এয়া সদায় চিৰস্মৰণীয় হৈ থাকিব মোৰ বাবে।

# জীৱনৰ লগৰী

**প্ৰণয় দাস**
*স্নাতক দ্বিতীয় ষাণ্মাষিক*

এসময়ত বৰগোলা নামে এখন গাঁও আছিল। গাঁওখনত বছৰি ২০-৩০ জন লোকৰ মৃত্যু হৈছিল। এই মৃত্যুৰ কাৰণ আছিল অন্ধবিশ্বাস। অন্ধবিশ্বাসত পৰি গাঁওবাসীয়ে বেমাৰ আজাৰ হ'লে ডাক্তৰৰ কাষ নাচাপি বেজৰ সহায় লৈছিল। সেই গাঁওতে এজন প্ৰতিপত্তিশীল ব্যক্তি আছিল। নাম আছিল দেৱজিত শৰ্মা। দেৱজিত শৰ্মা এজন শিক্ষিত লোক আছিল। দেৱজিত শৰ্মাৰ পুত্ৰ আছিল বিশ্ব শৰ্মা। বিশ্ব এজন মেধাৱী ছাত্ৰ আছিল। তেওঁৰ ইংৰাজী ভাষা ভালকৈ কোৱাৰ আৰু শিকাৰ ইচ্ছা আছিল। আৰু অতি কম দিনৰ ভিতৰতে তেওঁ ইংৰাজী ভাষা ভালদৰে শিকিছিল। তেওঁ জানিছিল যে ইংৰাজী ভাষাটো অতি প্ৰয়োজনীয় ভাষা আৰু পৃথিৱীৰ সকলো ঠাইতে ব্যৱহৃত। কিন্তু বিশ্বই ইংৰাজী ভাষাটো দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিব বিচৰা নাছিল। কাৰণ তেওঁ ভাবিছিল যে ইংৰাজী ভাষা যদি প্ৰত্যেকে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰে তেন্তে এদিনত অসমীয়া ভাষাৰ প্ৰতি সংকট আহি পৰিব। বিশ্বই সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। বিশ্বৰ লক্ষ্য আছিল এজন অধিবক্তা হোৱা আৰু গাঁওৰ অন্ধবিশ্বাস দূৰ কৰা। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজত নাম ভৰ্তি কৰাইছিল। সেই কলেজতে বন্দনা নামৰ ছোৱালী এজনীক লগ পাইছিল আৰু দুয়োজনৰ মাজত বন্ধুত্ব গঢ়ি উঠিছিল। বন্দনা খোৰা আছিল আৰু তাই ভালদৰে খোজ কাঢ়িব নোৱাৰিছিল। তাইক বহুতে খোৰা বন্দনা বুলি জোকাইছিল। কিন্তু তাই এইবোৰৰ প্ৰতি কেৰেপ নকৰি নিজৰ জীৱনৰ লক্ষ্যৰ পিনে আগবাঢ়িব বিচাৰিছিল। তাইৰ জীৱনৰ লক্ষ্য আছিল এজনী ডাক্তৰ হোৱা। বিশ্ব আৰু বন্দনাৰ মাজত ভাল বন্ধুত্ব গঢ়ি উঠিছিল আৰু বন্দনাই বিশ্বলৈ প্ৰেমৰ প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু বিশ্বই সেই প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিছিল। বিশ্বই ভাবিছিল যে তেওঁৰ যি সপোন আছে এজন অধিবক্তা হোৱা আৰু অন্ধবিশ্বাস দূৰ কৰা সেই সপোনত প্ৰেমে বাধা জন্মাব। সেইবাবে তেওঁ প্ৰেমৰ প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিছিল। কিন্তু তাৰ পিছতো দুয়োজনৰ মাজত ভাল বন্ধুত্ব আছিল। কাৰণ বন্দনাই বিশ্বৰ সপোনৰ কথা ভালদৰে বুজি পাইছিল।

বিশ্বই অন্ধবিশ্বাস দূৰ কৰিবলৈ চেষ্টা কৰিছিল। বৰগোলা গাঁওৰ মানুহে জণ্ডিছ হ'লে বেজৰ ওচৰত জৰা-ফুকা কৰিছিল। বিশ্বই জণ্ডিছৰ ভয়াবহতাৰ কথা গাঁওবাসীক বুজাই দিছিল। জণ্ডিছ হ'লে ডাক্তৰৰ কাষ নাচাপিলে ই ভয়াবহ ৰূপ ধাৰণ কৰিব

পাৰে। জণ্ডিছৰ উন্নত চিকিৎসা আছে। বসন্ত ৰোগৰ প্ৰকৃত কাৰণ যে ভাইৰাছ সেই কথাটো বিশ্বই গাঁওবাসীক ভালদৰে বুজাই দিছিল। চকু আৰু দাঁতৰ বেমাৰ হ'লে বেজে দাঁতৰ পৰা পোক উলিয়ায়। দৰাচলতে দাঁতত তেনেকুৱা কোনো ধৰণৰ পোক নাথাকে। এইবিলাক ক্ষুদ্ৰ অনুজীৱহে। ইয়াক খালী চকুৰে দেখিব নোৱাৰি। সেই বিষয়ে ৰাইজক সচেতন কৰিছিল। আৰু এই সমগ্ৰ ক্ষেত্ৰত বন্দনাই বিশ্বক সমৰ্থন কৰিছিল। এটা সময়ত বৰগোলা গাঁওবাসীয়ে বেমাৰ-আজাৰ হ'লে বেজৰ কাষ নাচাপি ডাক্তৰৰ কাষ চাপিছিল। আৰু বিশ্বৰ সপোন সফল হৈছিল। বিশ্ব এজন ভাল অধিবক্তা হৈছিল আৰু বন্দনা এজনী ভাল ডাক্তৰ হৈছিল। আৰু তেতিয়াৰ পৰা বিশ্বই বুজি পাইছিল যে প্ৰেম কেতিয়াও জীৱনৰ বাধা হ'ব নোৱাৰে। কিন্তু জীৱনৰ লক্ষ্যৰ প্ৰতি সমানে সচেতন থাকিব লাগে। কাৰণ বন্দনাই বিশ্বক সকলো সময়তে উৎসাহ আৰু প্ৰেৰণা দিছিল। অৱশেষত বিশ্ব আৰু বন্দনাৰ মাজত বিবাহ সম্পন্ন হৈছিল। উন্নত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা আৰু ডাক্তৰৰ অশেষ চেষ্টাৰ ফলত বন্দনাৰ ভৰিখন সম্পূৰ্ণ ভাৱে থিক হৈছিল আৰু তাই ভালদৰে খোজকাঢ়িব পাৰিছিল। তেওঁলোক দুয়োজনে জীৱনত সফল হোৱাৰ মূল কাৰণ হ'ল একাগ্ৰতা, আত্মবিশ্বাস আৰু ধৈৰ্য্য।

# অনুতাপ

**মৃদুস্মিতা চৌধুৰী**
*স্নাতক দ্বিতীয় যাণ্মাষিক*

এজাক কলেজীয়া ল'ৰা-ছোৱালীয়ে হাঁহি-খিকিন্দালি কৰি ৰাজুৰ সন্মুখেৰে পাৰ হৈ গ'ল। তাৰ অন্তৰ ভেদি এটা হুমুনিয়াহ ওলাই আহিল। এই ল'ৰা-ছোৱালীবোৰৰ নিচিনাই তাৰো এটা সময় আছিল। এনেকুৱা সময়ত উচ্ছল জীৱন আছিল তাৰ। বৰং ইয়াতকৈ বেছিহে আছিল হয়তো। কিন্তু আজি ৰাজু আগৰ ৰাজুৰ দৰে উচ্ছল নহয়, আগৰ নিচিনা ফূৰ্তিও নাই। আজিৰ ৰাজুৰ আছে মাত্ৰ হতাশা আৰু অনুতাপেৰে পৰিপূৰ্ণ এখন হৃদয়। বাৰাণ্ডাত তাৰ বাবে আচুতীয়াকৈ ৰখা চকীখনত সি বহি আছে। বাটেদি পাৰ হৈ গৈ আছে কলেজীয়া, স্কুলীয়া ল'ৰা-ছোৱালীবোৰ। সিহঁতক চাই তাৰ অন্তৰ ভেদি অহা হুমুনিয়াহৰ বাহিৰে আন একো নাহে। কেতিয়াৰ পৰা তাৰ জীৱনলৈ এই অন্ধকাৰ নামি আহিল? কেতিয়াৰ পৰা? ৰাজু চকীখনত আউজি জোৰকৈ চকু দুটা মুদি দিলে। চিনেমাৰ কাহিনীৰ দৰে তাৰ চকুৰ আগলৈ আহি থাকিল এটাৰ পিছত এটা ঘটনা। ৰাজুৱে প্ৰথম বিভাগত শিক্ষান্ত পৰীক্ষা পাছ কৰাৰ পাছত চহৰৰে কলেজ এখনত নাম লগাইছিল। কলেজলৈ গৈ ৰাজুহঁতে লগ পাইছিল বহুতো বন্ধু-বান্ধৱী। বিনীতা, অবিনাশ, পৱন আৰু বহুতো। অবিনাশ আছিল ধনী ঘৰৰ ল'ৰা। সি প্ৰায়ে নতুন পোছাক পিন্ধি আহিছিল, নতুন নতুন হেয়াৰ ষ্টাইল কৰিছিল। ৰাজু লাহে লাহে অবিনাশৰ প্ৰতি আকৰ্ষিত হৈছিল। তাৰো অবিনাশৰ দৰে বাইক চলাবৰ মন গৈছিল। লাহে লাহে সি অবিনাশৰ অনুগামী হৈ পৰিছিল। মাক-দেউতাকৰ পৰা কাজিয়া কৰি হ'লেও সি টকা আনিছিল। গৌতমৰ কিন্তু তাক সদায় সাৱধান কৰি দিছিল আৰু তাক আগৰ পথলৈ ঘূৰি আহিব কৈছিল। গৌতকে কথা নুশুনাৰ বাবেই হয়তো সি আজিৰ অৱস্থালৈ আহিবলগা হৈছে। মাক-দেউতাকৰ পৰা জোৰকৈ আদায় কৰি নিয়া টকাৰে সি দামী চিগাৰেট কিনিছিল, চিগাৰেটৰ ধোঁৱা আকাশলৈ উৰুৱাই দি সিহঁতে চিনেমা চাইছিল। ৰাতি ঘৰলৈ উভতিছিল। মাক দেউতাকৰ হাজাৰ বুজনিও ৰাজুৰ কানত সোমোৱা নাছিল। তাৰ বাবে কেৱল অবিনাশহে আছিল সকলো। জীৱনৰ অন্ধকাৰময় দিনসমূহ তাৰ কাষ চাপি আহিছিল। সি ড্ৰাগছ সেৱন কৰিবলৈ লৈছিল। এৰা ড্ৰাগছ! যি নাম শুনিলে এতিয়াও তাৰ বুকু শিঁয়ৰি উঠে। কঁপনি উঠে হাত-ভৰিত। লাহে লাহে ড্ৰাগছে তাৰ জীৱন হৈ পৰিল। তাৰ এইবোৰ কামৰ সংগী আছিল অবিনাশ। ইতিমধ্যে সি কলেজীয়া পৰীক্ষাসমূহত কেইবাবাৰো ফেল কৰিছিল। কিন্তু এইবোৰ কথালৈ তাৰ কোনো কাণসাৰ নাছিল। ড্ৰাগছ নল'লে শৰীৰত কঁপনি উঠিছিল। কোনো কামতে মন নবহিছিল। তাৰ শৰীৰত তেতিয়ালৈ নামি আহিছিল অন্ধকাৰ। ডাক্তৰৰ দ্বাৰা পৰীক্ষা কৰাৰ পাছত তাৰ দেহত ধৰা পৰিছিল এইছ্. আই. ভি ৰোগৰ বীজানু। তাৰ দেহৰ সমস্ত উচ্ছাস শুহি পেলাইছিল এই বীজানুবোৰে। সি হাঁহিবলৈ পাহৰিছিল। অবিনাশ প্ৰত্যেকটো কথা অন্ধভাৱে মানি লোৱাৰ ফলত সি আজিৰ অৱস্থা পাইছেহি।

এনেকে এদিন অবিনাশ সকলোৰে পৰা আঁতৰি গ'ল। তাৰ মৃত্যুৰ কাৰণো একেটাই। আৰু কেইদিনমানৰ পাছত ৰাজুও আঁতৰি যাব এই পৃথিৱীৰ পৰা, তাৰ আপোন সকলোকে এৰি আঁতৰি যাব সুদূৰলৈ। বুকুৰ পৰা হিয়া ভগা হুমুনিয়াহ এটা ওলাই আহিল তাৰ। শূণ্য দৃষ্টিৰে ৰাজুৱে চাই ৰ'ল সুদূৰ আকাশলৈ।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মাতৃভূমিক ভাল পোৱাৰ অপৰাধৰ মূল্য নিজৰ প্ৰাণেৰে পৰিশোধ কৰা বীৰ সকলোলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম। ২০১২-১৩ বৰ্ষৰ নিৰ্বাচনত আমি “ আছু” গোটৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হওঁ। ইয়াৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ- ছাত্ৰীলৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আমাৰ সকলোৰে অতিকৈ আপোন এই মহাবিদ্যালয় স্থাপিত হয় ১৯৫৫ চনত। ২০০৬ চনত NAAC ৰ দ্বাৰা B+ স্বীকৃতিপ্ৰাপ্ত এই শিক্ষানুষ্ঠানখন সমগ্ৰ নামনি অসমৰ ভিতৰত এখন আগশাৰীৰ মহাবিদ্যালয়। গোৱালপাৰা মহাবিদ্যালয়ৰ এখনি গৌৰৱমণ্ডিত ইতিহাস আছে। সেয়েহে আমি সকলোৱে অনাগত দিনবোৰ তো গৌৰৱৰ এই সোণালী ধ্বজ্জা প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি উৰুৱাই যাব লাগিব আমাৰ সৎকৰ্ম আৰু প্ৰতিভাৰ মাজেৰে। এয়া আমাৰ সকলোৰে দায়িত্ব আৰু পৱিত্ৰ কৰ্তব্য।

নিৰ্বাচনত জয় লাভ কৰাৰ পিছত গতানুগতিকভাৱে মোৰ কাৰ্যকাল আৰম্ভ হয়। কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই আমি মুখামুখি হওঁ মহাবিদ্যালয়ৰ সপ্তাহৰ সৈতে। এই বেলি আমি ৫ দিনীয়া কাৰ্যসূচীৰে “ মহাবিদ্যালয়ৰ সপ্তাহ” উৎযাপন কৰিবলৈ সক্ষম হওঁ। মহাবিদ্যালয়ৰ বিভিন্ন প্ৰতিযোগিতা সমূহত প্ৰদৰ্শনী সমূহ বহুতো ছাত্ৰছাত্ৰীয়ে নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সুযোগ পায়।

এই বৰ্ষৰ মুকলি সভাত সন্মানীয় অতিথিৰ আসন শুৱনি কৰে বিশিষ্ট নাট্যকাৰ শ্ৰীযুত শুক্ৰাচাৰ্য ৰাভা ডাঙৰীয়াই। ইয়াৰ উপৰিও জিলা উপায়ুক্ত শ্ৰীযুত প্ৰীতম শইকীয়া। হাব্ৰাঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ তথা গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰবক্তা (দৰ্শন বিভাগ) শ্ৰীযুত মন্টু দাস ছাৰ, আগিয়া J.N. Memorial HS School ৰ অধ্যক্ষ তথা মোৰ পৰম আৰাধ্য গুৰু শ্ৰীযুত জয়চন্দ্ৰ নাথ ছাৰ, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য শ্ৰীযুত জীতেন দাস ছাৰ আৰু ভক্তি মেধি ছাৰেও অতিথিৰ আসন শুৱনি কৰে। লগতে সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ মুকলি কৰে প্ৰাক্তন উপাধ্যক্ষ ASR Ahmed ছাৰে। তেওঁলোক সকলোকে মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিব খুজিছোঁ মাননীয় অধ্যক্ষ মহোদয় আৰু সমূহ শিক্ষাগুৰু কৰ্মচাৰী বিন্দ, ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ সমূহ আবাসী আৰু ছাত্ৰ- ছাত্ৰীসকলক যিসকলৰ সক্ৰিয় সহায়- সহযোগিতা অবিহনে এই মহাবিদ্যালয় সপ্তাহ পৰিচালনা কৰা মোৰ পক্ষে কেতিয়াও সম্ভৱ নহলহেতেন। বিশ্বজিৎ দা , জ্যোতি দা, বিষ্ণু দা, বিকাশ দা, অৰ্নৱ, উদিত, মৃদু পৱনলৈও মোৰ ধন্যবাদ থাকিল যিসকলে মোক মহাবিদ্যালয়ৰ সপ্তাহৰ প্ৰস্তুতিৰ পৰা আৰম্ভ কৰি সমাপ্তিৰ দিনালৈকে মূল্যৱান উপদেশ আৰু যথেষ্ট শাৰিৰীক শ্ৰমেৰে সহায়ক হাত আগবঢ়াই আহিছে। তেওঁলোকৰ এই উপকাৰ মই কোনোদিন পাহৰিব নোৱাৰিম।

মহাবিদ্যালয় সপ্তাহৰ পিছে পিছে সৰস্বতী পূজা, বিশ্ব নৰী দিৱস, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি আদিুৎসৱসমূহো সুকলমে অনুষ্ঠিত হৈ যায়। সদৌ শেষত আটাইলৈ পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

জয়তু গোৱালপাৰা মহাবিদ্যালয়

জয় আই অসম।

অমনহীৰা দাস

# আলোচনী সম্পাদকৰ প্ৰতিবেদন

আমাৰ গোৱালপাৰা মহাবিদ্যালয় নামনি অসমৰ আটাইতকৈ নামজ্বলা মহাবিদ্যালয়। প্ৰতিষ্ঠিত হোৱাৰ পিছৰে পৰা আমাৰ মহাবিদ্যালয় শিক্ষা জগতত এক নতুন যুগৰ সূচনা কৰিছে। বিভিন্ন গুণী জ্ঞানী, সহানুভূতিশীল ব্যক্তিৰ শ্ৰমত্যাগ আদিৰ ফলস্বৰূপে এই মহাবিদ্যালয়ৰ জন্ম হৈছে। আমাৰ মহাবিদ্যালয় ১৯৫৫ চনত প্ৰতিষ্ঠিত হৈ ইতিমধ্যে সোণালী জয়ন্তী বৰ্ষ পালন কৰা হৈছে। মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকাই ছাত্ৰ ছাত্ৰীক উৎসাহ উদ্দীপনাৰে সকলো সময়তে জ্ঞানেৰে আলোকিত কৰে। সূৰ্যই যিদৰে গ্ৰহক পোহৰেৰে আলোকিত কৰে ঠিক তেনেদৰে আমাৰ অধ্যাপক অধাপিকাই জ্ঞানৰ পোহৰেৰে আমল আলোকিত কৰে।

শিক্ষা অবিহনে জাতি জীয়াই থাকিব নোৱাৰে। শিক্ষাই সকলো নীচ মনোবৃত্তিৰ পৰা মুক্ত কৰি এখন সৰল, সৎ আৰু সমাজ প্ৰিয় আৰু সমাজৰ প্ৰতি দায়িত্বশীল ব্যক্তিত্বত পৰিণত কৰে। ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ দেশ ঠিক তেনেদৰে গোৱালপাৰা মহাবিদ্যালয় এখন ভিন্ন জাতি ধৰ্ম বৰ্ণ নিৰ্বেশেষে এখন পবিত্ৰ জ্ঞান মন্দিৰ।

আলোচনীৰ জৰিয়তে আমি আমাৰ জ্ঞানৰ বহিঃ প্ৰকাশ ঘটাব পাৰো। ইয়াৰ উচিত মাধ্যম হ'ল গল্প, কবিতা, প্ৰবন্ধ, জ্ঞান- বিজ্ঞান ইত্যাদিৰ জৰিয়তে। সেয়ে সকলো ছাত্ৰ- ছাত্ৰী সৰ্বতোপ্ৰকাৰে সহায় কৰি এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশ কৰি মহাবিদ্যালয়ৰ সুনাম বৃদ্ধি কৰা একান্ত বাঞ্চনীয়।

গোৱালপাৰা মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ দায়িত্ব মোৰ হাতত দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ- ছাত্ৰীলৈ মোৰ অন্তৰৰ পৰা ধন্যবাদ জনাইছো।

মহাবিদ্যালয় অধ্যক্ষ সন্মানীয় শ্ৰীযুত ড° কাচিম আলী আহমেদ আৰু তত্বাবধায়ক সিক্ষাগুৰু শ্ৰীযুত ড° হেমন্ত কুমাৰ কলিতা আৰু সম্পাদনা সমিতিৰ সমূহ সদস্য- সদস্যা সকলৰ বহুমূলীয়া সময় ব্যয় কৰি আলোচনীখন প্ৰকাশ কৰাৰ দিশত আগবঢ়োৱা দিহা পৰামৰ্শৰ বাবে মোৰ অন্তৰৰ পৰা আন্তৰিক কৃতজ্ঞতাৰ শৰাই যাচিছোঁ। লগতে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে আনন্দদেৱ আৰু অমনহীৰা দাসক সহায় সহযোগৰ বাবে মই চিৰ কৃতজ্ঞ।

সকলোৱে নিজৰ নিজৰ জ্ঞানৰ বহিঃ প্ৰকাশ ঘটাই মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনি এখন সুন্দৰ আলোচনী নিয়মিয়াভাৱে প্ৰকাশ হওঁক এই আশা আকাংক্ষাৰে শ্ৰদ্ধা জ্ঞাপন কৰিছো।

নাছিৰ উদ্দিন আহমেদ
সম্পাদক
আলোচনা বিভাগ

# Editorial Board - 2012-13



Principal
- K.A. Ahmed



Vice-Principal
- Amulya Sarma



Dr. Hemanta Kr. Kalita
Teacher In-charge



Dr. A.B. Ahmed
Member



Dr. Subhash Barman
Membar



Mrs. Loni Baruah
Member



Mr. Johirul Hoque
Membar



Nasir Uddin Ahmed
Secretary



NCC Group, Goalpara College


DEBATE
IN THE OPINION OF THE HOUSE
STRINGENT LAWS ARE THE ONLY WAY
TO PREVENT CRIMES AGAINST WOMEN

DEBATE

DEBATE
STRINGENT LAWS ARE THE ONLY WAY
TO PREVENT CRIMES AGAINST WOMEN

DEBATE AND SYMPOSIUM

04/01/2013

04/01/2013

04/01/2013

SYMPOSIUM
04/01/2013





মুকলি অধিৱেশন মহাবিদ্যালয় সপ্তাহ



বঁটা বিতৰণী সভা মহাবিদ্যালয় সপ্তাহ



মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা সাহিত্যিক



মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



শ্ৰেষ্ঠ এন চি চি দল, ১৫ আগষ্ট



মহাবিদ্যালয়ৰ ছোৱালী আৱাস গৃহ

# মহাবিদ্যালয়ৰ বাহিৰে ভিতৰে






















